চাঁদমামা

এপ্রিল ১৯৮৯



আশ্চৰ্য্য! ৰসনা-শিশু হঁতৰ বাবে! আশ্চৰ্য্য! ৰসনা-মাতৃসকলৰ বাবে!
বিনামূল্যে! প্ৰতিটো পেকৰ ভিতৰতে উপহাৰ!
(সাঁথৰ, কাগজৰ খেল-ধেমালি, ষ্টিকাৰ, লেবেল, আৰু ৰবৰ, ফেঁট, চুলিত মৰা ক্লিপ আদি বহুতো নতুন নতুন বস্তু)
Rasna
What's the date? 1989
Refreshing Rasna
নতুন ৰসনা স্পাইডাৰমেন পেক!
Rasna soft drink concentrate
GIFT
অৰেঞ্জ □ পাইনাপেল □ লাইম □ শাহী গুলাব □ কালা খাট্টা □ কুল খস □ কেশৰ এলাইচি □ মশালা সোডা (জলজীৰা) □ টুটি ফ্ৰুটি □ ম্যাঙ্গো ৰাইপ □ গ্ৰেপ গ্লোৰী
সজীৱতাপূৰ্ণ ৰসনা
11 টি আকৰ্ষণীয় সোৱাদ, আকৰ্ষণীয় দামত.
Mudra:A:EAMR:4570 Ass

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!!** গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ **নম্বৰ** উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

**P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.**

চান্দমামা

এপ্ৰিল ১৯৮৯

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
আলিৰ ভাই-পালি	:	১০
স্বপ্নাতংক	:	১১
ঢোল আৰু ডোল	:	১৬
পঞ্চপ্ৰশ্ন	:	১৯
আত্মৱৎ পৰশ্ৰমেষু	:	২৭
আলি বাটৰ চালি	:	৩৪
নেহৰু-উপাখ্যান-২	:	৩৫
বাটৰ কচু	:	৩৯
কৃষ্ণাৰতাৰ	:	৪৩
বন-জুইৰ কথা	:	৫১
সাজ চাই চাপৰি	:	৫৫
হেজাৰটকীয়া সাধু	:	৬০
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

Annual Subscription : Rs. 96.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras - 600 026.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.





Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

চাওঁতে চাওঁতে চান্দমামা চৌধ বছৰীয়া হ'ল। হ'ল,—আৰু আপোনালোকেই যে চান্দমামাক মৰমতে বুকুত সাবটি লৈ তুলি-তালি ডাঙৰ-দীঘল কৰিলে, আমি সেই কথা অপাৰ-অকৃত্ৰিম কৃতজ্ঞতাৰে সদায় সোঁৱৰোঁ। আমাৰ বছৰটিৰ যেনেকৈ বিহুতে বিহৰণ, চান্দমামাৰো সেই বিহুতেই বছৰৰ আৰম্ভণ। সদৌটিলৈ বিহুৰ নমস্কাৰেৰে আজিলৈ ইমানেই।

অমৰ-বাণী

অজৰামৰৱৎ প্ৰাজ্ঞো বিদ্যামৰ্থম চ চিন্তয়েৎ।
গৃহীত ইব কেশেম মৃত্যু না ধৰ্মমাচৰেৎ॥

[বিবেকৱানসকলে কোনো প্ৰকাৰৰ আধি-ব্যাধি নাইবা মৃত্যুৰ ভয়ত ভীত নহৈ একাগ্ৰতীয়াভাৱে জ্ঞানাৰ্জন কৰা আৱশ্যক। যিকোনো মুহূৰ্ততে মৃত্যুৱে আঁকোৱালি ল'ব এই কথা ধ্ৰুব জানি প্ৰত্যেকেই ধৰ্মৱন্ত হোৱা আৱশ্যক।]

বছৰ : ১৪ এপ্ৰিল ১৯৮৯ সংখ্যা : ১

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

ALL THAT STANDS BETWEEN DARKNESS AND HIM IS

YOUR SIGNATURE.

India. The land of diverse cultures. Rich, varied traditions. But, there are 11 million people who can't see the beauty and wonder of this land. They suffer from cataract. They live in a world that grows darker day by day. And 2 million are added to this number every year.

We, at LKS, take care of over 60,000 people's eyes every year. People of all communities, people from different walks of life. During 1987 alone we have operated on 2,400 cataract patients and have been able to make 70 villages cataract - free. But still a lot needs to be done. And you can help.

As little as Rs. 100 from you can enable us to perform a cataract operation and clear the darkness from someone's life.

Help us, to help them.

Lok Kalyan Samiti

A voluntary, non-political, non-profit, health and family welfare organisation.

Set your sights on the nearly blind. Give.

To

Mr. K.S. Gupta,
The General Secretary,
Lok Kalyan Samiti,
Sucheta Bhavan,
11-A, Vishnu Digambar Marg,
New Delhi-110 002.
India.

For Rs. 100 per cataract operation, I would like to sponsor:

*1 operation (Rs. 100)
*2 operations (Rs. 200)
*5 operations (Rs. 500)
*10 operations (Rs. 1000)

Payable *yearly *half yearly *quarterly *bi-monthly *monthly

I am enclosing herein a crossed cheque/demand draft in favour of "Lok Kalyan Samiti" for Rs. ____________

Please send me details with photograph/s of the person/s I am sponsoring.

Name: ____________ Age: ____________

Address: ____________

Profession: ____________ Tele: ____________

Date of birth: Day ______ Month ______ Year ______ Marital Status ______

If married, date of marriage: Day ______ Month ______ Year ______

Income tax exemption under section 80G of the Income Tax Act.

LINTAS. LKS. 23

চান্দমামাৰ
সম্বাদ:বি:সম্বাদ

উড়ন্ত ৰথ-কথা !

ভাৰতীয় পুৰাণসমূহত বৰ্ণোৱা উড়ন্ত ৰথ বা বিমানৰ কথা কেৱল কবি-কল্পনা নহয়। ইতালীয় বিজ্ঞানী ড'ৰবাতো পিনোত্তিৰ মতে : এই ৰথ বা বিমানৰ অস্তিত্ব নিশ্চয় আছিল। সম্প্ৰতে বাংগাল'ৰত অনুষ্ঠিত আন্তৰ্জাতিক মহাকাশ সন্মিলনত তেওঁ এই মত প্ৰকাশ কৰে যে—প্ৰাচীন ৰচনাসমূহত বিমানৰ অস্তিত্ব সম্পৰ্কে বৈজ্ঞানিক মত পৰিলক্ষিত হয়।

আকাশ-আঙঠি !

২০০০ চনত আকাশ-পোহৰা-আঙঠি এটিয়ে আমাৰ চকুত জলক-তবক লগাব। এই আকাশজোৰা উজ্জ্বল আঙঠিটি হ'ব আমাৰ সমগ্ৰ পৃথিৱীৰ একতা, পূৰ্ণতা আৰু আগন্তুক সহস্ৰ বছৰ শান্তিৰে অতিবাহিত কৰাৰ প্ৰতীক।

মংগলত মনুষ্য !

আমেৰিকাই ২০০১ চনৰ ভিতৰত মংগলগ্ৰহৰ চন্দ্ৰসমূহলৈ আৰু মংগলগ্ৰহলৈকো মানুহ পঠাবলৈ পৰিকল্পনা কৰিছে।

বৃহৎ সাঁথৰ-ক্ষুদ্ৰ জাদুকৰ !

এঘাৰ বছৰীয়া সমীৰ মেহৰা আৰু তাৰ ন-বছৰীয়া ভনীয়েক কনিকাই পৃথিৱীৰ বিৰাট বিৰাট সাঁথৰৰ আৱিষ্কৰ্তা প্ৰফেছৰ এ. এম. ৰিউবিকৰ জটিল-কঠিন সাঁথৰসমূহৰ সমাধান সমীৰে ২৫ ছেকণ্ডত আৰু কনিকাই ২ মিনিটত কৰিব পাৰে। প্ৰফেছৰে নিজেও দীৰ্ঘকাল ধৰি সেইবোৰ সাঁথৰৰ সমাধান কৰিব পৰা নাছিল, যদিও সমাধান সম্ভৱ বুলি তেওঁ জানিছিল।

আলিৰ ভাই পালি

মধুপুৰ আৰু বিষ্ণুপুৰ আছিল চুবুৰীয়া গাঁও, যদিও সীমাপৰীয়া গাঁও দুখন আছিল দুই দেশৰ ভিতৰুৱা। তাৰ ফলত দুয়োখন দেশৰ ৰাজকৰ্মচাৰীইতে, ব্যৱসায়ীইতে, দুয়োখন গাঁৱৰপৰা সদায় সা-সুবিধা আদায়ৰ চেষ্টা কৰিছিল। কৰ আদায়ৰ কথাত ৰাজকৰ্মচাৰীইতে জুলুম কৰিছিল। বেপাৰীইতে সীমান্তৰ পৰীয়াইতক ভেটি খুৱাই নানান চোৰাংবস্তু ইপাৰ-সিপাৰ কৰাৰ সুবিধা আদায় কৰিছিল।

প্ৰধান নামৰ এজন বেপাৰী আছিল। এদিন পাঁচখন গাড়ীত বস্তু-বাহানি উঠাই প্ৰধান বিষ্ণুপুৰৰপৰা মধুপুৰলৈ ৰাওনা হ'ল। মধুপুৰৰ সীমান্ত-প্ৰহৰীইতে কৰ-কাটল খোজাত প্ৰধানৰ গাড়ীৰ সমুখত আৰু ভালেমান গাড়ী লানি পাতি ৰ'ল।

প্ৰধানে তাৰ পৰামৰ্শদাতা আলিৰ ভাই পালি চন্দ্ৰক ক'লে, "সিইঁতৰপৰা কৰ লওঁতে ঢেৰ সময় লাগিব। তুমি একুৰি মোহৰ লোৱা, আৰু আমাৰ পাল অহামাত্ৰকে পৰীয়াইতক দিবা এইখিনি।"

অলপ পাছত চন্দ্ৰনাথে প্ৰধানক ক'লেগৈ, "এয়া লওক দহটা মোহৰ, আমাৰ কাম দহটা মোহৰেৰেই সিজিল। কৰ-কাটল একো দিব নালাগে আমাক।"

"কি কোৱাহে!" প্ৰধানে অবাক মানি ক'লে, "আমাৰ পাঁচখন গাড়ীৰ এখনৰো কৰ নিনিলেনে পৰীয়াইতে?"

চন্দ্ৰনাথে হাঁহি মাৰি ক'লে, "মই ইয়াত শাৰী পাতি থকা প্ৰতিখন গাড়ীৰৰপৰা কৰ আদায় কৰি একেলগে পৰীয়াইতক দিলোঁ। সিহঁতে ভাল পাই আমাক যাবলৈ দিছে।"

প্ৰধানে চন্দ্ৰৰ দৰমহা দুগুণ বঢ়াই দিলে আৰু তাৰ কৰ্মকুশলতাৰ শলাগ ল'লে।



স্বপ্নাতংক

বংসলদেশৰ ৰজা চন্দ্ৰসেন আছিল অন্ধ-বিশ্বাসী। অন্যান্য নানান অন্ধ-বিশ্বাসৰ লগতে তেওঁৰ বিশ্বাসো এই অতি প্ৰবল আছিল যে সপোন সদায় ফলিয়ায়।

এনিশা ৰজাই তেওঁৰ শোৱনিকোঠাত এটা ফেটী সাপ সোমোৱা সপোনত দেখিলে। ঘটনাটো দেখা পাই ৰজাৰ দুৱৰীয়ে ৰজাৰ শোৱাকোঠাৰ দুৱাৰত খটখটালে আৰু ৰজাৰ টোপনি খতি কৰি সেই বিৰাট ফেটী সাপটোক মাৰি পেলালে।

পাছদিনা ৰজাই তেওঁৰ মন্ত্ৰী আৰু সেনাপতিক স্বপ্নৰ বিষয়ে কৈ থাকোঁতে কথাখিনি প্ৰহৰীয়ে শুনিলে। সেই প্ৰহৰীয়ে ৰজাৰ এই সপোন-ব্যাধিৰ কথা আগৰে, পৰাই জানিছিল আৰু ৰজাৰ এই দুৰ্বলতাৰ সুবিধা লৈ দুপইচা অৰ্জিবলৈ আঠ-পৰীয়া দি আছিল। এতিয়া, ৰজাৰ কথাখিনি শুনিয়েই সি এটি সৰুসুৰা আঁচনি পাঙিলে।

প্ৰহৰীটোয়ে এজন সাপধৰা মানুহৰ-পৰা ফেটী সাপ এটা কিনি আনিলে, আৰু সেই নিশা ৰজা নিদ্ৰিত হোৱাৰ পাছত কোঠাত সাপটো এৰি দি, পাছমুহূৰ্ততে দুৱাৰত খটখটাই ৰজাক মাতিলে।

খটখটনি শুনি, সাৰ পাই, খঙতে ঘেং কৰি উঠি ৰজাই দুৱৰীক চকু পকাই ধৰিলে, "বোলোঁ—কি হ'ল?"

"মহাৰাজ ক্ষমা কৰিব। খিৰিকীয়েদি সাপ এটাক সোমোৱা দেখিহে বাধ্যত পৰি মাতিলোঁ।" নন্দ দুৱৰীয়ে ক'লে।

তেতিয়া ৰজাই কোঠাটোৰ ভিতৰলৈ ভালকৈ চাই এচুকত বিৰাট সাপ এটা দেখা পাই 'বাপ' বুলি জাঁপ মাৰি

পুৰন্দৰ পাঠক

ওলাই আহিল। নন্দ হুৰবীয়ে সাপটোক লাঠিৰে কোবাই মাৰিলে। ৰজাই তেতিয়া নিজৰ ডিঙিৰ বহুমূল্য মালাধাৰ নন্দক উপহাৰ হিচাপে দিলে।

কিহৰপৰা কি হৈছে, সিয়ান হুৰবীটোৱে যে মহাৰাজক দাৰু কৰিছে, সেই কথাত মন্ত্ৰী-সেনাপতিৰ মনত সন্দেহ নাথাকিল ; কিন্তু কথাটো ৰজাক ক'বৰ দাঁত তেওঁলোকৰ এজনৰো নহ'ল।

পাছদিনা মন্ত্ৰী আৰু সেনাপতিয়ে সোধাত নন্দই এই কথাটো স্বীকাৰ নকৰিলে। তেতিয়া সেনাপতিয়ে নন্দ হুৰবীক ভুখৰি পীৰাৰে মাৰিলে। আৰু—মাৰি ভৈয়াম কৰাৰ পাছতহে নন্দই ক'লে যে কথাটো 'হয়', সিয়েই ফেটীটোক মহাৰাজৰ শোৱনিকোঠাত সুমুৱাই দিছিল।

তেতিয়া মন্ত্ৰীয়ে নন্দক ক'লে, "চোৰা নন্দ, তোমাৰ এই কামৰ ফলত আমাৰ মহাৰাজৰ মূকখালী আৰু বাঢ়িছে। ইয়াৰ পাছত তেওঁ যে আৰু কিমান মূকখালী কৰিব আৰু সেইবোৰ আমাকো মানি চলিবলৈ বাধ্য কৰিব—তাৰ কি ঠিক ?"

সেনাপতিৰ হাতত নাগেৰা-পিটন খাই নন্দৰ ইমান যে খং উঠিছিল। নন্দই ভাবিলে : সাতো হাতে খোৱা সেনাপতি-ডালক সাত পানী পিয়াইহে এৰিম।

এই ঘটনাৰ কিছুদিনৰ অন্তত ৰজাই আন এটা সপোন দেখিলে। দেখিলে যে—তেওঁ মৰিল, আৰু তেওঁক দাহ কৰাৰ যো-জা কৰা হৈছে। কিন্তু দহন-বহনত থকাইত ৰাজকৰ্ম চাৰীনাছিল। এজনকহে দেখাত ৰাজকৰ্মচাৰী যেন লাগিছিল।

পাছদিনা এই সপোনৰ কথা মন্ত্ৰী আৰু সেনাপতিৰ আগত বিবৰি মহাৰাজে ক'লে, "মোৰ সপোন যে ফলিয়ায়, কেইদিন-মানৰ আগতে তাৰ প্ৰমাণ পালেই। এতিয়া—যোৱানিশাৰ সপোনৰপৰা মোৰ ধাৰণা হৈছে যে—আপোনালোকৰ মাজতে মোৰ কোনোবা শত্ৰু আছে, এই শত্ৰুক

এতিয়াই ধৰা পেলোৱা আৱশ্যক, আৰু তাক ধৰাৰ দায়িত্ব আপোনালোকৰ।”

মহাৰাজে কথাখিনি কওঁতে নন্দও অলপ আঁতৰতে থিয় হৈ সকলো শুনি আছিল। শুনি — সেনাপতিৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ সি এটা ফন্দী কৰিলে।

কেইদিনমানৰ পাছত হেৰাই যোৱা গাইনে ম'হ বিচাৰি উলিয়াবৰ বাবে নন্দই কামৰপৰা ছুটী ল'লে। তাৰ পাছত সি শ্মশানবাসী তান্ত্ৰিক এজনৰ কাষ চাপি তাৰ মনৰ ইচ্ছাৰ কথা খোলোচাকৈ ক'লে।

তেতিয়া তান্ত্ৰিকে তিনিটা গণ্ডি আঁকি সেই গণ্ডিৰ ভিতৰলৈ কেইডালমান হাড় আৰু নেমু, সেন্দুৰ আদি সেই হাড়কেই-ডালৰ আগত থৈ দিলে আৰু সৰ্বশেষত মাটিৰ মূৰ্তি এটিও গণ্ডিত ভৰাই থ'লে।

তাৰ পাছত নন্দই ৰজাক ক'লেগৈ, “মহাৰাজ! মই মোৰ হেৰাই যোৱা ম'হ বিচাৰি গৈ এটা আচৰিত কাণ্ড দেখা পালোঁ। আমাৰ সেনাপতিয়ে আপোনাক বশীভূত কৰিবলৈ এজন তান্ত্ৰিকৰ সহায় লৈছে। সেই তান্ত্ৰিকে বাৰে বাৰে আপোনাৰ নাম লৈছিল, আওৰাইছিল। আপোনাৰ নাম কৈ কৈ গণ্ডিৰ ভিতৰত পুতলা এটা থৈ দিছে। কথা বৰ ভয়ানক!”

নন্দৰ কথা শুনি, আচৰিত মানি, ৰজা নিজেই গ'ল শ্মশানলৈ। তেওঁ নন্দই কোৱা মতে সকলো তাত দেখা পালে। তেওঁ তৎক্ষণাৎ ৰাজপ্ৰাসাদলৈ উভতি আহিল, আৰু আহিয়েই সেনা-পতিক বন্দী কৰিবলৈ আদেশ জাৰী কৰিলে আৰু নন্দক নানান ধৰণৰ মূল্যৱান উপহাৰ দিলে।

সেনাপতিক বন্দী কৰাৰ অন্তত মতাই অনাই ক'লে, “মহাৰাজৰ পাগলামীৰ সুবিধা লৈ তুমি আমাৰ সেনাপতিক বন্দী কৰোৱালা। যদি নিজৰ ভাল বিচাৰা— এতিয়াই মহাৰাজক সঁচা কথাখিনি কৈ সেনাপতিক মুক্ত কৰাৰ বন্দবস্ত কৰিবা।



কাৰাগাৰত নিক্ষেপ কৰিবলৈ কঠোৰ আদেশ জাৰী কৰিলে।

আৰু এই আদেশৰ কথা শুনামাত্রেই নন্দ মন্ত্ৰীৰ ভৰিত দীঘল দি পৰিলগৈ। ক'লে, "মন্ত্ৰীবৰ! মোৰ অতীতৰ অপৰাধ ক্ষেমা কৰি মোক বচাওক। আপুনি মাৰিলেও মাৰক, ৰাখিলেও ৰাখক।"

মন্ত্ৰীয়ে নন্দক ক'লে, "ঠিক আছে, তোমাক মই বঁচাবৰ চেষ্টা কৰিম। পিছে— মই তোমাক যি কৰিবলৈ ক'ম, তাকে কৰিব লাগিব। মহাৰাজৰ মগজুৰপৰা স্বপ্নাতংক গুচাবলৈ হ'লে তোমাক অলপ অভিনয় কৰিব লাগিব।" এই বুলি কৈ, মন্ত্ৰীয়ে সিদিনাৰেপৰাই নন্দক তেওঁৰ ঘৰতে লুকাই থ'লে।

তাৰ পাছত বহু দিন পাৰ হ'ল। ৰজাৰ বছা বছা অনুচৰবৰ্গয়ো নন্দক বিচাৰি নোপোৱা হ'ল। নন্দ যেনিবা কফুৰৰ দৰে উৰি গ'ল। নন্দই তেওঁক হত্যা কৰিব—ৰজাৰ মনৰপৰাও এই ধাৰণা ক্ৰমে ক্ৰমে কিছু পৰিমাণে নোহোৱা হ'ল।

এদিন ৰজাই মন্ত্ৰীক ক'লে, "শুনা, নন্দক কিন্তু যেনেতেনে বিচাৰি উলিয়াব লাগিবই। মোৰ সপোন সদায় সঁচা হয়। গতিকে—নন্দই যে এদিন মোক হত্যা কৰিবই—সেই কথাত সন্দেহ নাই।

নহ'লে—নলগা তামোলত আঁটি বন্ধাৰ ফল কি—তোমাক পানী পানীকৈ শিকাম।"

নন্দই হাঁহি মাৰি ক'লে, "হেৰি কি বোলেনে — মহাৰাজ হ'ল মোৰ মুঠিৰ ভিতৰত থকা মানুহ। মই মন কৰিলে— আপোন কো বগাঘৰৰ ভাত খুৱাব পাৰোঁ।"

নন্দৰ কথা শুনি মন্ত্ৰীৰ উগ্ৰ খং উঠিল, যদিও তেওঁ মনে মনে থাকিল।

কিছুদিনৰ অন্তত ৰজাই পুনৰ সপোন দেখিলে। এইবাৰ তেওঁ সপোনত দেখা পালে যে—শক্ৰদেশৰ অনুচৰৰ লগ লাগি নন্দ দুৰাৰীয়ে তেওঁক হত্যা কৰাৰ ষড়যন্ত্ৰ পাভিছে। ৰজাই তৎমুহূৰ্তেই নন্দ দুৰৰীক

তাক ফাটকত ভৰাই থ'লেহে মই অলপ নিঃচিন্ত হৈ থাকিব পাৰোঁ।"

মন্ত্ৰীয়ে দুই তিনিদিনৰ পাছত ৰজাক ক'লে, "মহাৰাজ, কেইদিনমানৰ আগতে নন্দক কেটীয়ে মাৰিলে। খবৰটো খাটাং।"

নন্দৰ মৃত্যুৰ কথাটো শুনি ৰজাৰ চকুযুৰি আনন্দত উজ্জ্বল হৈ উঠিল। তেওঁৰ মনৰপৰা বদ্ চিন্তা গুচিল।

এসপ্তাহমানৰ পাছত মন্ত্ৰীয়ে ৰজাক সুধিলে, "মহাৰাজ, এতিয়া আৰু— দুৰৱীয়ে আপোনাক হত্যা কৰিব পৰা সপোন-টপোন দেখিছেনে?"

ৰজাই হোহোৱাই হাঁহি মাৰি ক'লে, "মৰা মানুহ এটাকনো মই সপোনত দেখোঁ কেনেকৈ কওকচোন?"

"মহাৰাজ! আপোনাক কিছুদিনৰপৰা এটা কথা কওঁ কওঁ বুলি ভাবিও কোৱা নাছিলোঁ। আজি বাৰু ক'ৰেঁই কথাটো। সপোন কিন্তু কেতিয়াও দিঠক নহয়, আচলতে সপোন দিঠক হোৱাৰ চিন্তা হ'ল মনৰ ভ্ৰম। নন্দ আজিও জীয়াই আছে। নন্দৰ মৰাৰ খবৰ শুনাৰ লগে লগে আপোনাৰ সপোনৰো শেষ হ'ল। সপোন আচলতে হ'ল পানীৰ ঐ টেঙা। কথাটো নিশ্চয় আপুনিও বুজিছেই।" মন্ত্ৰীয়ে মহাৰাজক ক'লে।

"তেনেহ'লে—" বিভ্ৰান্ত ৰজাই সুধিলে, "মোৰ আগৰ সপোন দুটা—?"

"মহাৰাজ, সেই নন্দ দুৰৱীয়েই আপোনাক তেনেকৈ দেদেৰা খুৱাই নিজৰ স্বাৰ্থ হাছিল কৰিছিল। এতিয়া অৱশ্যে তাৰ কাৰণে সি অনুতপ্ত।"

এই বুলি কোৱাৰ পাছত মন্ত্ৰীয়ে নন্দক তালৈ মতাই অনালে আৰু নন্দই ভৰিত দীঘল দি পৰি ক্ষমা ভিক্ষা কৰিলে।

তাৰ পাছত ৰজাই সেনাপতিকো কাৰাগাৰৰপৰা মুক্ত কৰি দিলে আৰু নিজেও স্বপ্নাতংকৰপৰা মুক্তি ল'লে।



ঢোল আৰু ডোল

জমিদাৰ ধৰ্মৰাজ হ'ল নামতো ধৰ্মৰাজ, কামতো। তেওঁৰ নাম-ডাক আছিল খুব; কিন্তু মনত আছিল দুখ। ল'ৰা-ছোৱালী নথকাৰ দুখ। তাৰোপৰি এদিন তেওঁৰ পৰিবাৰ ল'ৰা ফুকাবলৈ গৈ অকালতে ঢুকাল আৰু এমাহৰ অন্তত তেৰোঁ ঢুকাল।

জমিদাৰ ধৰ্মৰাজৰ দুজন কৰ্মী আছিল অতি বিশ্বাসী। এজনৰ নাম ৰামনাথ—ধৰ্মৰাজৰ ঘৰুৱা কাম-মন কৰিছিল; আন এজনৰ নাম চুণচাং. সি খেতি-বাতি চোৱা-চিঁতা কৰিছিল। ধৰ্মৰাজৰ মৃত্যুৰ পাছতে দুয়ো ভৱিষ্যৎ ভাবি উদ্বিগ্ন হ'ল।

তেতিয়া চুবুৰীয়া গাঁৱৰ ধৰ্মৰাজৰ বন্ধু পুণ্ডৰীক মুকুপে দুয়োকো ক'লেহি, "শুনা ৰামনাথ-চুণচাং, তোমালোকৰ গৰাকীয়ে এখন দানপত্ৰ—মানে—উইল লিখি মোক দি থৈ গৈছে। সেই উইল অনুসাৰে তেওঁৰ ঘৰ-দুৱাৰ অনাথহঁতক—অৰ্থাৎ মাতৃ-পিতৃ-হীন ল'ৰা-ছোৱালীহঁতক দি থৈ গৈছে। আৰু — তোমালোকৰ দুয়োকো দি গ'ল দহহেজাৰকৈ নগদ টকা।"

চুণচাতে মুকুপক সুধিলে, "তেনে-হ'লে—তেওঁৰ অন্যান্য সা-সম্পত্তিখিনিৰ কি হ'ব? কোনে পাব সেইবোৰ?"

পুণ্ডৰীক মুকুপে বিমৰিষ হাঁহি মাৰি ক'লে, "তেওঁ ইমান দান-ধৰ্ম কৰিলে জীৱনত যে—সেই ঘৰ-দুৱাৰৰ বাহিৰে আন একো নায়েই তেওঁৰ।"

সেই দিনাই ৰাতিৰ পৰতে চুণচাং মুকুপ পুণ্ডৰীকৰ ঘৰলৈ গ'ল আৰু পুণ্ডৰীকে ক'লেগৈ. "আপোনাৰ কথা বিশ্বাস কৰাত টান পাইছোঁ। তেওঁ যিমানেই দান-ধৰ্ম

চন্দ্ৰনাথ ফুকন



নকৰক. তেওঁৰ সা-সম্পদ নিশ্চয় ঢেৰ আছিল। তেওঁৰ মৃত্যু-কালত মাত্ৰ বিছ হেজাৰ টকাহে আছিলনে ?"

পুণ্ডৰীক মুকুন্দ মূঢ়াত নাঙল লগাটি যেন হৈ পৰিল। তেওঁ এই কথাৰ একো উত্তৰ দিব নোৱাৰিলে। তেতিয়া চূণচাতে মুকুন্দৰ হাতত টকা এহেজাৰ দি ক'লে, "আপুনি মোক দহ হেজাৰ টকা দিলে, তাৰ বাবে মই কৃতজ্ঞ। এয়া লওক এহেজাৰ টকা, আৰু অনুগ্ৰহ কৰি ধৰ্মৰাজ ডাঙৰীয়াৰ উইলত সঁচাসঁচিকৈ কি লিখা আছে মোক বুজাই কওক।"

পুণ্ডৰীক মুকুন্দে মুখত পানী নোহোৱাৰ দৰে ক'লে, "চোৰা চূণচাং, তুমি সঁচাকৈয়েই অতি বুদ্ধিমান। মই এই দান-পত্ৰৰ — মানে — উইলৰ কথা সাঁচেকাটে কোৱা নাই বুলি তুমি ধৰিছা। ঠিকেই ধৰিছা। ঠিক। ঠিকেই। ধৰ্মৰাজৰ আৰু এক লাখ টকা আছে। পিছে—প্ৰথমতে তোমালোকক দহহেজাৰ টকাৰে পৰীক্ষা কৰি চাবলৈ কৈ গৈছে তেওঁ। তোমালোকৰ মাজত কোনে কেনেকৈ টকাখিনি খৰচ কৰিবা মোক চাবলৈ কৈ গৈছে। তোমালোকৰ দুজনৰ মাজত যাৰদ্বাৰা ধৰ্মৰাজৰ আত্মাৰ শান্তি হ'ব, তাকেই এক লাখ টকাৰ দিয়াৰ কথাও কৈ গৈছে তেওঁ। ধৰ্মৰাজৰ আত্মাৰ শান্তি কেনেকৈ কি কামৰ যোগেদি হ'ব—সেই কথা মোৰ বাহিৰে আন জনাদিয়েকেও জানে।"

এই কথাত চূণচাতে ভাল পালে। সি ঘৰলৈ উভতি গ'ল, আৰু এজন শিল্পীৰদ্বাৰা ধৰ্মৰাজৰ মূৰ্তি এটা সজাই লৈ গাঁৱৰ চাৰিআলিত থৈ দিলে। তাৰ পাছতো সি নাম-কীৰ্তন আৰু অন্যান্য সকসুৰা দান-দক্ষিণাৰ যোগেদি ধৰ্মৰাজৰ নাম দহো ৰাইজৰ মাজত বিদিত কৰিলে।

কিন্তু—ধৰ্মৰাজৰ উইলত কি কথা লিখা আছিল, ৰামনাথে সেইবোৰৰ একো নাজানিছিল। ৰামনাথে তাৰ টকাখিনিৰে

দুখীয়া-ভুকীয়াহঁতক খুৱাই থাকিল আৰু সিহঁতক কৈ থাকিল, "এই যে মই তোমালোকক খুৱাইছোঁ, এই খাৱনৰ টকা কিন্তু মোৰ নহয়, ধৰ্মৰাজ ডাঙৰীয়াৰ। গতিকে — নাম লোৱা যদি, ধৰ্মৰাজ ডাঙৰীয়াৰহে নাম ল'বা, মোৰ নহয়।"

কিছুদিনৰ অন্তত পুণ্ডৰীক মুখুপে ধৰ্মৰাজ জমিদাৰ ডাঙৰীয়াৰ গাঁৱলৈ আহি, গাঁৱৰ ৰাইজক এঠাইত গোটাই লৈ, ধৰ্মৰাজৰ দানপত্ৰ তথা উইলখন পঢ়ি শুনালে আৰু পাছত ৰাইজক সুধিলে, "এতিয়া আপোনালোকেই কওক, ধৰ্মৰাজ ডাঙৰীয়াই লিখি থৈ যোৱাৰ মতে মই এক লাখ টকা কাক দিম? এই এক লাখ টকা ৰামনাথকনে চুণচাতক দিম?"

গাঁৱৰ ৰাইজে একমত একমুখ হৈ ক'লে, "ধৰ্মৰাজ ডাঙৰীয়াই যেনেকৈ দুখীয়া-ভুকীয়াক সহায় কৰিছিল, ৰামনাথেও তাকে কৰিছে। ৰামনাথে চুণচাতৰ দৰে কেৱল নামৰ ঢোল নবজাই মৰমৰ ডোলেৰে দুখীয়া-ভুকীয়াক বান্ধিছে। গতিকে—টাকাখিনি ৰামনাথেই পাওক।"

সমজুৰাৰ কথা মতে পুণ্ডৰীক মুখুপে ৰামনাথৰ হাতত লাখ টকা গতাই দিলে আৰু ক'লে, "চোৱা চুণচাৎ, তুমি উইলৰ কথা জনিবলৈ মোক এহেজাৰ টকা ঘোচ দিছিলা। তোমালোকৰ চৰিত্ৰৰ বুজ ল'বলৈহে মই সিদিনা সেই টকাখিনি লৈছিলোঁ। এয়া—তোমাৰ টকাখিনি আজি সমজুৰাৰ আগত ঘূৰাই লোৱা।"

অপমানেৰে থকা-সৰকা হোৱা চুণচাৎ তলমূৰ হৈ গাঁৱৰপৰা ওলাই যাবলৈ ধৰোঁতেই তাক আগচি ধৰি ৰামনাথে ক'লে, "এই দহহেজাৰ টকা লোৱা।"

তাৰ পাছত, ধৰ্মৰাজ ডাঙৰীয়াৰ টকাৰে ৰামনাথে ধৰ্মৰাজৰ নামত গাঁৱতে এখন ধৰ্মশালা সজাই, ৰক্ষণা-বেক্ষণ কৰি, সেৱাৰ মাধ্যমেৰে জীৱন যাপন কৰিছিল।



পঞ্চপ্ৰশ্ন

৩

পাছদিনা যথাসময়ত ৰাজকোঁৱৰ ধীৰসিংহ ৰাজকুঁৱৰী সুলোচনাৰ ওচৰলৈ আহিল। সুলোচনাই নীৰৱে হাঁহি মিঠা চাৱনিৰে চাই ধীৰসিংহক ক'লে, "প্ৰতি আঁউসীৰ মাজ নিশা শুনো, 'কি যে অনুতাপৰ কথা। এটাও উপকাৰৰ কাম কৰাৰ আগতেই আন এটা আঁউসী পাৰ হৈ যায়'। কোনে কাক কিয় কয় ক'ব নোৱাৰোঁ মই। এই কণ্ঠস্বৰ কাৰ কণ্ঠস্বৰ? এয়ে হ'ল মোৰ তৃতীয় প্ৰশ্ন।

●

এই প্ৰশ্নৰ উত্তৰ বিচাৰি ধীৰসিংহ দক্ষিণ দিশলৈ বুলি ৰাওনা হ'ল। তিনিদিন-তিনিনিশা গৈ গৈ অটব্য অৰণ্য পাই ঘোঁৰাটোক এৰি দিলে। পুনৰ তিনিদিন ধৰি খোজ কঢ়াৰ অন্তত এখন নগৰত ভৰি দিয়াৰ লগে লগেই দুইজন বিচিত্ৰধাৰী প্ৰহৰীয়ে তেওঁক বন্দী কৰিবলৈ আগুৱাই আহিল।



"মইনো কি অপৰাধ কৰিলোঁ ? মোক বন্দী কৰিছা কিয় ?" ৰাজকোঁৰ ধীৰসিংহই সেই অদ্ভুত-দৰ্শন বিচিত্ৰবেশধাৰী প্ৰহৰী দুজনক সাহসৰে সুধিলে।

কিন্তু ধীৰসিংহৰ প্ৰশ্নলৈ কাণসাৰ নকৰি প্ৰহৰী দুজনে তেওঁক কটকটীয়াকৈ বান্ধি বন্দী কৰি সেই দেশৰ ৰজাৰ ওচৰলৈ লৈ গ'ল।

ৰজাই ধীৰসিংহক সুধিলে. তুমি কোন ? কি নাম তোমাৰ ? তুমি কোন দেশৰপৰা ইয়ালৈ আহিছা ? তুমি আমাৰ এই শিৰশ্ছেদ দেশলৈ আহিলা কিয় ?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত ধীৰসিংহই ক'লে. "মই হ'লোঁ নেপাল দেশৰ ৰাজকোঁৰৰ। মোৰ নাম হ'ল ধীৰসিংহ বিক্ৰমদেৱ। এটা সামান্য কথাৰ উত্তৰ বিচাৰি মই আপোনাৰ দেশলৈ সোমাইছোঁহি। কিন্তু এই দেশত মই নাথাকোঁ। এই দেশ অতিক্ৰমি বহু দূৰলৈ গুচি যাম।"

ৰজাৰ মহামন্ত্ৰীয়ে ৰজাক সোঁৰৰাই দিয়াৰ দৰে ক'লে, "মহাৰাজ, ধীৰসিংহ যিহেতু বিদেশী, আৰু আমাৰ দেশলৈ বিনা অনুমতিৰে অনধিকাৰ প্ৰবেশকাৰী, সেইহেতুকে, আমাৰ এই দেশৰ ৰীতি অনুসাৰে, আমাৰ ৰাজকুঁৱৰীয়ে তেওঁক পাঁচটা প্ৰশ্ন কৰিব আৰু জোখে-জোখাৰে

ক্ষুব্ধভাৱে ধীৰসিংহই ক'লে, "এই নিয়ম অন্যায় নিয়ম। কোনো বিদেশীৰ পক্ষে এনেবোৰ নিয়মৰ কথা ইয়ালৈ অহাৰ আগতে জনা সম্ভৱ নহয়।"

"ঠিক।" ৰজাই ক'লে. "সেই কথা আমিও নুবুজা নহয়। কিন্তু এক এৰাব নোৰৱা পৰিস্থিতিয়েহে আমাক এই অন্যায় নিয়ম পালন কৰাত বাধ্য কৰিছে। এক যক্ষৰ অভিশাপৰ ফলত আমি এই অন্যায় কৰিবলৈ বাধ্য হৈছোঁ। যাৰ কাৰণে এনেবোৰ অন্যায় কৰা হৈছে, তাক চাবা যদি—মোৰ পিছে পিছে আহি থাকা।" এই বুলি কৈ, ৰজাই নেপালৰ ৰাজকোঁৰৰ



উত্তৰ দিব নোৱাৰিলে মৃত্যুদণ্ডেৰে দণ্ডিত হ'ব। এয়ে আমাৰ শিৰশ্ছেদ নগৰৰ নিয়ম।" ধীৰসিংহক ৰাজকুঁৱৰী সীমন্তিনীৰ কক্ষলৈ লৈ গ'ল।

তেওঁলোকক দেখা পায়েই ৰাজকুঁৱৰী সীমন্তিনীয়ে ক'লে, "মোৰ ইমান দিন ধৰি সুধিবলগীয়া প্ৰশ্নৰ উত্তৰ দিবলৈ ধীৰসিংহ আহিলনে?"

লগে লগে ধীৰসিংহই কৈ উঠিল, "হয়, আহিলোঁ। আপোনাৰ সুধিবলগা প্ৰশ্নবোৰ মোক সুধিব পাৰে।"

সীমন্তিনীয়ে সুধিলে, "সকলো ফলৰ মাজত শ্ৰেষ্ঠ ফল কোনটো?"

ধীৰসিংহই ক'লে, "সন্তান ফল।"

"যি বস্তু কোনেও নিবিচাৰে অথচ প্ৰত্যেকেই গ্ৰহণ কৰিব লাগে—সেই বস্তুটি কি?" সীমন্তিনীয়ে পুনৰ ৰাজকোঁৱৰ ধীৰসিংহক সুধিলে।

ধীৰসিংহই মুহূৰ্তমান চিন্তা কৰি ক'লে, "মৃত্যু।"

"ঠিক!" সীমন্তিনীয়ে ধীৰসিংহক প্ৰশংসা কৰি সুধিলে, "মোৰ তৃতীয় প্ৰশ্ন হ'ল—এনেকুৱা বস্তু এটা আছে, যিটো বস্তু থাকিলে আন কোনো বস্তু নাথাকিলেও হয়। কিন্তু সেই বস্তুটো যদি নাথাকে—তেনেহ'লে অন্যান্য বস্তু থাকিলেও লাভ নাই।—বস্তুটোনো কি?"

"বুদ্ধি।" ধীৰসিংহই যেনিবা হেলাৰঙেই কথাষাৰ কৈ দিলে।

লগে লগেই হাঁহি হাঁহি ৰাজকুঁৱৰী সীমন্তিনী অকস্মাৎ মজিয়ালৈ বাগৰি পৰিল আৰু ৰাজকোঁৱৰ ধীৰসিংহ যেনিবা অলপ ভেবাচেকা খাই গ'ল। সীমন্তিনীক দেখি বোধ হ'ল—যেনিবা চেতনা নাই।

আৰু মজিয়ালৈ বাগৰি পৰাৰ লগে লগেই সীমন্তিনীৰ দেহৰপৰা ক'লা সাপ এডাল ওলাই আহিল। ৰাজকোঁৱৰ ধীৰসিংহই চকুৰ পচাৰতে সাপটোক টান



মুঠিৰে বিজুলী গতিৰে থাপ মাৰি ধৰি এটা চৰুৰ ভিতৰত সুমুৰাই তৎক্ষণাৎ মাটিৰ তলত পুতি পেলালে।

তেতিয়ালৈকো সীমন্তিনীৰ চেতনা পৰিপূৰ্ণ কৈ ঘূৰি অহা নাছিল, যদিও মজিয়াৰপৰা উঠি থিয় হৈ গৈ গৈ তাইৰ দেউতাকৰ ওচৰত ৰ'লগৈ।

তেওঁৰ ছোৱালীজনী যে কোনো দিনে এনেকৈ সুস্থ হৈ উঠিব—ৰজাই ভাবিব পৰা নাছিল। ৰজাই অতি আবেগৰে ধীৰসিংহৰ হাতত ধৰি ক'লে, "ধীৰসিংহ, মোৰ ছোৱালীজনীৰ এতিয়া শাপ মুক্ত হ'ল। এতিয়াৰপৰা আৰু লোকনিন্দা সহিও বিদেশীক প্ৰাণদণ্ড বিহাৰ অন্যায় কৰিবলগা নহ'ব। তোমাৰ ওচৰত ওৰে জীৱনলৈ আমি ৰজা-প্ৰজা সকলোটিয়েই ধৰুৱা হৈ থাকিলোঁ।"

"সকলো ঈশ্বৰৰ ইচ্ছা। মই কিন্তু এই কাম কৰিবলৈ ওলোৱা নাছিলোঁ, মোৰ কাম সম্পূৰ্ণ অন্য।" ধীৰসিংহই তেতিয়া ৰজাক সকলো কথা ভাঙি-পাতি বিবৰি ক'লে।

ৰজাই ক'লে, "আমিও কেতিয়াবা কেতিয়াবা তেনেকুৱা কণ্ঠস্বৰ নুশুনা নহয়, শুনো। তেনেকুৱা কণ্ঠস্বৰ শুনি তাৰ শুং-সূত্ৰ বিচাৰি উলিয়াবলৈ আমিও চেষ্টা নকৰা নহয়, কৰোঁ। কিন্তু একো ঠাৱৰ কৰিব নোৱাৰোঁ। তোমাৰ বুদ্ধিৰ তুলনা নাই। তুমি চেষ্টা কৰিলে নিশ্চয় এই কথা আৱিষ্কাৰ কৰিব পাৰিবা যে এই কণ্ঠস্বৰ কাৰ।"

ধীৰসিংহই পুনৰ দক্ষিণ দিশলৈ বুলি খোজ ল'লে। তিনিদিন-তিনিনিশা একেৰাহে খোজ কঢ়াৰ পাছত ধীৰসিংহই এখন মৰুভূমি পালেগৈ। তেতিয়া আছিল মাজনিশা। আউঁসীৰ নিশা। আকাশত কিছুমান তৰাৰ বাহিৰে আন একো দেখা নগৈছিল।

এনেতে হঠাৎ ধূলিয়ৰি উঠিল। ধূলিৰ

ধুমুহা। সেই ধুমুহাই ধীৰসিংহক বহু যোজন বাট উক্কুৰাই লৈ গ'ল। আৰু উক্কুৰাই উক্কুৰাই লৈ একেবাৰেই সেই গ'ল দক্ষিণ দিশলৈ।

এক অজান—সম্পূৰ্ণ অজান ঠাইলৈ আহি ধীৰসিংহ একেবাৰে ভেবা লাগি কেৱল ইফালে-সিফালে চাবলৈ ধৰিলে। আৰু—

অলপ পাছতেই হঠাৎ ক'ৰবাৰপৰা ঘোঁৰাৰ খুৰাৰ শব্দ উঠিল।

ধীৰসিংহই ঘোঁৰাৰ খুৰাৰ শব্দক অনুসৰণ কৰি গৈ গৈ এটা পাহাৰ পালেগৈ। পাহাৰটোৰ ওপৰলৈ উঠি তেওঁৰ বিৰাট সেউজীয়া দলিচাহেন ঘাঁহেৰে ঢকা পথাৰ এডৰা দেখা পালে আৰু ক'ৰবাত বাহি উঠা ঢং ঢং ঘণ্টাৰ শব্দ শুনিলে। আৰু তাৰ পাছমুহূৰ্ততে সেই পথাৰলৈ কেইজনমান জাকজমকীয়া পোছাক আৰু মূল্যৱান অলংকাৰ পিন্ধা মানুহ আহিল। মানুহকেইজন এঠাইত বহিল। অলপমান আঁতৰত এজন দেখাত মগনিয়াৰহেন বুঢ়া মানুহে কৈ আছিল, "কি যে অনুতাপৰ কথা! এটাও উপকাৰৰ কাম কৰাৰ আগতেই আনএটা আঁউসী পাৰ হৈ যায়!" বুঢ়াই এই বুলি কোৱাৰ লগে লগে অদূৰতে বহি থকা মানুহকেইজনৰ আগত সুখাদ্যৰে পৰিপূৰ্ণ সোণৰ কাঁহী ভাহি আহিল।



এই মানুহকেইজনৰ মাজৰপৰা এজন মানুহে কৈ উঠিল, "ধীৰসিংহ, কিনো চাই আছা? আহাঁ, আমাৰ লগত খাবলৈ বহাঁহি।"

ধীৰসিংহ লাহে-ধীৰে বহিলগৈ তাত। তাৰ সমুখতো এখন সোণৰ কাঁহী বতাহত ভাহি ভাহি আহিল। আহিল খাদ্যও।

কিন্তু সেই মগনিয়াৰহেন বৃদ্ধৰ আগত এখন মাটিৰ কাঁহী, আৰু সেই মটীয়া কাঁহীত আছিল শিলগুটি, ইটাৰ টুকুৰা ইত্যাদি। তাত খোৱাবস্তু একো নাছিল।

ঘটনাটোলৈ লক্ষ্য কৰি ধীৰসিংহই এই মানুহকেইজনক সুধিলে, "কথানো কি? এই বৃদ্ধৰ কি অপৰাধ?"

"তাকেই নোসোধা কেলেই?" এজনে ধীৰসিংহক কৈ উঠিল।

ধীৰসিংহই তাৰ নিজৰ খোৱাবস্তুৰপৰা আধাখিনিমান বুঢ়াক খাবলৈ দিলে। কিন্তু মুহূৰ্ততে সেই খোৱাবস্তুখিনি শিলগুটি, ইটাৰ টুকুৰা হৈ গ'ল।

"আচৰিত কাণ্ড!" ধীৰসিংহই কাণ্ড দেখি প্ৰচণ্ড অবাক মানি কৈ উঠিল।

"সকলো অপৰাধৰ ফল, কৃতকৰ্মৰ ফল।" বৃদ্ধ মগনিয়াৰে ক'লে।

"কিনো অপৰাধ —?" ধীৰসিংহই বুঢ়াক সুধিলে।

"সেই কাহিনী বিৰাট এক কাহিনী! শুনিবানে? কওঁ তেন্তে।" এই বুলি কৈ, খন্তেকমানলৈ দূৰলৈ চাই থকাৰ অন্তত বুঢ়াই কৈ থাকিল, "মোৰ নাম ধনগুপ্ত, মই আছিলোঁ বিদিশা নগৰৰ ব্যৱসায়ী। মই বহুতকে ঠগিলোঁ। তাৰ ফলত মোৰ ঢেৰ পাপ হ'ল। এই পাপৰপৰা মুক্তিৰ আশাৰে মই কিছু কিছু দান-ধৰ্মও কৰিছোঁ। পঁচিছ বছৰৰ আগতে বহুতো মূল্যৱান সাজ-পোছাক আৰু আ-অলংকাৰ তথা মণি-মুকুতা উটৰ পিঠিত উঠাই গৈ থাকোঁতে মৰুভূমিৰ ডকাইতবিলাকে মোৰ সৰ্বস্ব লুট-পাত কৰাৰ উপৰিও আমাক মাৰি পেলালে। এতিয়া যিহঁতে সোণৰ

কাঁহীত ভাল ভাল খাদ্য খাই আছে, সিহঁত এসময়ত আছিল মোৰেই চাকৰ। মই সিহঁতকো ঠগিছিলোঁ—নানান ছুতাত দৰমহা কমকৈ দিছিলোঁ। কিন্তু সিহঁতে অলপ অলপকৈ দান-ধৰ্ম কৰাত সুখ ভোগ কৰিছে, আৰু মই আনক ঠগি এতিয়া অনেকে দুঃখ ভোগ কৰিছোঁ।"

"এই অৱস্থাৰপৰা তোমাৰ মুক্তিৰ উপায় কিবা আছে যদি মোক কোৱা।"

"মোৰ সা-সম্পদৰ সৰহভাগেই মই মোৰ ঘৰৰ পিছ দুৱাৰৰ দহগজ আঁতৰত পুতি থৈছোঁ। এই কথা আনকি মোৰ ল'ৰা তিনিটায়ো নাজানে। সেই বিপুল সম্পদক চাৰি ভাগেৰে ভগাই, এভাগ মোৰ তিনিও পুত্ৰৰ মাজত ভগাই দি, বাকী তিনিভাগ মানুহৰ উপকাৰৰ বাবে ব্যয় কৰিলেহে মই এই অভিশপ্ত জীৱনৰপৰা মুক্তি পাম।" ধনগুপ্তই ধীৰসিংহক ক'লে।

ধনগুপ্তই কোৱামতে ধীৰসিংহ বিদিশা নগৰলৈ গ'ল আৰু ধনগুপ্তৰ পুত্ৰ তিনিওকো বিচাৰি উলিয়াই যথাযথভাৱে সা-সম্পদ ভগাই দিলে আৰু ধনৰ তিনিভাগ দুখীয়া-ভুকীয়াহঁতৰ মাজত বিলাই দিলে।

তাৰ পাছত, পুনৰ এক আঁউসীৰ ৰাতি ধীৰসিংহ সেই পাহাৰৰ ওচৰলৈ গ'ল আৰু শাপমুক্ত ধনগুপ্তকো বাছক-বৰনীয়া সাজ-পাৰ পিন্ধি সোণৰ কাঁহীত সুখাদ্য খাই থকা দেখা পালে।

ধনগুপ্তই ধীৰসিংহৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে, আৰু তাৰ পাছত ৰাজ-কোঁৱৰ ধীৰসিংহই ৰাজকুঁৱৰী সুলোচনাৰ ওচৰলৈ পুনৰ ৰাওনা কৰিলে।

ধীৰসিংহৰপৰা ধনগুপ্তৰ কাহিনী শুনাৰ অন্তত ৰাজকুঁৱৰী সুলোচনাই ধীৰসিংহক ক'লে, "আপোনাৰ সাহস, তথা কৰ্তব্যৰ-প্ৰতি নিষ্ঠা অতুলনীয়। কালিলৈ যদি অনুগ্ৰহ কৰি আহে, মই মোৰ চতুৰ্থ প্ৰশ্নটো আপোনাক সুধিম।" [আগলৈ



আত্মৱৎ পৰশ্ৰমেষু

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, মানুহে সাধাৰণভাৱে নিজৰ কাৰণেহে শ্ৰম কৰে ; কিন্তু তুমি যে এই বিপুল শ্ৰম কাৰ কাৰণে কৰি আছা, সেই কথাৰ আগ-গুৰি একো ঠাৰৰ কৰিব পৰা নাই। যি কি নহওক, মই তোমাক সুদৰ্শনৰ কাহিনী ক'ম, যিজনে কেৱল নিজৰ কাৰণেহে শ্ৰম কৰিছিল। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো উপকাৰ নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে সেই কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'



প্ৰাচীনকালত কান্যকুব্জ নগৰত ৰত্নগুপ্ত নামৰ এজন বিখ্যাত ব্যৱসায়ী আছিল। তেওঁ কেতিয়াও জিৰণি নলৈছিল, কেৱল কাম আৰু কামৰ মাজতে ডুবি থাকিছিল। তেওঁ সাগৰ পাৰ হৈ দূৰ-দূৰণিলৈ গৈও বাণিজ্য কৰিছিল, আৰু এইদৰে তেওঁ তেওঁৰ ক্ষুদ্ৰ জীৱনত কৌটি কৌটি মুদ্ৰা আৰ্জিছিল।

এবাৰ ৰত্নগুপ্তই জাহাজত সুগন্ধি দ্ৰব্য-সামগ্ৰী ভৰাই লৈ পূৱদিশৰ দ্বীপ এটা পাই, সেই সেই অচিনাকি দ্বীপৰ ৰাজধানীলৈ গ'ল আৰু তাত এখন বিৰাট ধৰমশালাত উঠিলগৈ।

পাছদিনা দ্ৰব্য-সামগ্ৰী বিক্ৰি আৰম্ভ হ'ল আৰু এদিনতে প্ৰায় আটাইবোৰ সামগ্ৰী বিক্ৰি হৈ গ'ল। ৰাতিৰ পৰতে দ্ৰব্য-সামগ্ৰীৰ বিক্ৰিৰ বাবদে পোৱা মুদ্ৰাৰ হিচাপ কৰি থাকোঁতে এজন যুৱকে অবাক মানি ৰত্নগুপ্তক ক'লে, "মোৰ নাম সুদৰ্শন। এটা বিষয় চাই মই অবাক মানিছোঁ। আপুনি ইমান ৰাতিলৈকে এই হিচাপৰ কামত পৰিশ্ৰম কৰি আছে কিয়? ইমান পৰিশ্ৰম কৰাৰ কি প্ৰয়োজন? মই এই ধৰমশালাতে আছোঁ। আপুনি ইমান ধনী ব্যক্তি হোৱা সত্বেও অবুদ্ধিমানৰ দৰে ইমান পৰিশ্ৰম কৰা দেখি কথাটো অবাক হৈ নুসুধি নোৱাৰিলোঁ।"

ৰত্নগুপ্তই ক'লে, "মই যে এজন বেপাৰী, দেখছিাই। কিমান বেচা গ'ল, কিমান পালোঁ, কিহত কিমান লাভ হ'ল-নহ'ল তাৰ সঠিক হিচাপ নোপোৱালৈকে মোৰ টোপনি নাহে।"

"আপোনাৰ যদি আপত্তি নাই, হিচাপ কৰাৰ দায়িত্ব মোক দিব পাৰে। মই আপোনাক সহায় কৰি দিম আপোনাৰ কামত।" সুদৰ্শনে বণিজাৰ ৰত্নগুপ্তক ক'লে।

"বেপেৰুৱা হিচাপৰ কাগজ-পাতি কেৱল বেপাৰীয়েহে বুজি পাব। তুমি কিজানি এইবোৰ বুজিবলৈ টানেই পাবা।"

ৰত্নগুপ্তই সুদৰ্শনক ক'লে।

"সকৰেপৰাই অংকলৈ মোৰ ৰাপ! আৰু—এই বেহা-বেপাৰৰ হিচাপ মই অতি সহজতে কৰিব পাৰিম।" সুদৰ্শনে ৰত্নগুপ্তক ক'লে।

ৰত্নগুপ্তই কাগজ-পাতিখিনি সুদৰ্শনৰ হাতত দিলে, আৰু সুদৰ্শনে অতি দ্ৰুততাৰে হিচাপ কৰি ৰত্নগুপ্তক কাগজ-পাতিখিনি ঘূৰাই দিয়াত সুদৰ্শন নামৰ এই যুৱকৰ ক্ষমতা দেখি ৰত্নগুপ্তই প্ৰকৃততেই আচৰিতে মানিলে।

তেতিয়া ৰত্নগুপ্তই সুদৰ্শনৰ বিষয়ে সোধাত সুদৰ্শনে ক'লে, "মোৰ নাম যে সুদৰ্শন—কৈছোঁৱেই আপোনাক। নিচেই সৰুকালতে মই মোৰ দেউতাৰ লগত কান্যকুব্জৰপৰা এই দ্বীপলৈ আহিছিলোঁ। তাৰ পাছত আমি আৰু কান্যকুব্জলৈ উভতি নগ'লোঁ। ব্যৱসায়ত দেউতাৰ ঢেৰ লোকচান হৈছিল। এই লোকচানেই দেউতাৰ কাল হ'ল। তেওঁ অসুস্থ হৈ পৰিল, আৰু এই দ্বীপতে তেওঁৰ মৃত্যু হ'ল। দেউতাৰ মৃত্যু সম্বাদ পোৱাৰ কিছুদিনৰ ভিতৰত মোৰ মা-ও ঢুকাল। তাৰ পাছত আৰু মই মোৰ নিজ কান্যকুব্জলৈ উভতি নগৈ, ইয়াতে থাকি, মই এই দ্বীপৰ ৰজাৰ অধীনত চাকৰি ল'লোঁ।"

সুদৰ্শনৰ এই কথাখিনি শুনাৰ অন্তত ৰত্নগুপ্তই সুদৰ্শনক ক'লে, "তুমি মন

কৰিলে চাকৰি এৰি ব্যৱসায় কৰিব পাৰা। মোৰ সৈতে কান্যকুব্জলৈ ব'লা, আৰু মোক ব্যৱসায়ৰ কামত সহায় কৰা। চাকৰি কৰি যিমান আৰ্জিছা, মই তাতকৈ কম নিদিওঁ তোমাক, লাগিলে ঢেৰ বেছিকৈহে দিম।"

ৰত্নগুপ্তৰ প্ৰস্তাৱত সন্মত হৈ সুদৰ্শন পুনৰ কান্যকুব্জলৈ গৈছিল, আৰু ৰত্নগুপ্তৰ সকলো প্ৰকাৰৰ ব্যৱসায়ৰ কামত সহায় কৰি চাওঁতে চাওঁতে ৰত্নগুপ্তৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল।

কিছুদিনৰ পাছত ৰত্নগুপ্তই পুনৰ পূৱদেশৰ দ্বীপলৈ যাবলৈ যো-জা কৰিও অসুস্থ হৈ পৰাত সুদৰ্শনক ক'লে, "সুদৰ্শন, এইবাৰলৈ মই যাব নোৱাৰিম। এইবাৰ তুমি তালৈ যোৱা। আমাৰ জাহাজত দহ লাখ টকাৰ বস্তু আছে। আটাইখিনি বেচি প্ৰায় পোন্ধৰ লাখমান পাবা। তুমি অকলেই যাবলৈ সাজু হোৱা।"

ৰত্নগুপ্তৰ নিৰ্দেশমতে সুদৰ্শন পূৰ্বদ্বীপলৈ বুলি ৰাওণা হ'ল।

পূৰ্বদ্বীপ পাই সেই ধৰমশালাতে উঠিলগৈ। তাত সুদৰ্শন আন কেইজনমান বেপাৰীৰ লগত চিনাকি হ'ল।

নতুনকৈ চিনাকি হোৱা বেপাৰী এজনে সুদৰ্শনক ইকথা-সিকথাৰ মাজত ক'লে, "ইয়াত এতিয়া সুগন্ধি সামগ্ৰীৰ চাহিদা খুব বাঢ়ি গৈছে। পিছে এমাহৰ অন্তত আৰু বাঢ়িব যেন পাওঁ। তেতিয়া লাভৰো উপৰি লাভ হ'ব। মই এতিয়া নেবেচোঁ। আপুনি কি কৰিবনো? এতিয়াই নেচিবনে এমাহমানলৈ ৰৈ থাকিব? বেপাৰ-বাণিজ্যত ধৈৰ্য্যৰো আৱশ্যক—আৰু বুদ্ধিৰ পৰিচয় দিয়াটোও—অৰ্থাৎ কি বোলেনে—সময়ৰ শৰ সময়তে মৰাৰ বুদ্ধিকণো থকা নিশ্চয় আৱশ্যক। কি বোলে—?"

সুদৰ্শনে ক'লে, "মই যিখিনি লৈ আহিছোঁ — যিমান সোনকালে বেচিব পাৰিম বস্তুখিনি বেচি গুচি যাম বুলিয়েই

মই স্থিৰ কৰিছোঁ।”

সুদৰ্শনে ভবা মতেই কামো কৰিলে। সি জাহাজেৰে কঢ়িয়াই অনা সামগ্ৰীখিনি বিক্ৰি কৰি পুনৰ জাহাজত উঠি কান্য-কুব্জলৈ উভতি গ'ল।

সুদৰ্শনৰপৰা সকলো কথা সবিস্তাৰে শুনাৰ অন্তত ৰত্নগুপ্তই বৰ ভাল পালে আৰু লাভৰ চাৰিভাগৰ এভাগ সুদৰ্শনক দিলে।

কিছুদিনৰ অন্তত সুদৰ্শনে পুনৰ পূৰ্ব-দেশলৈ বুলি ওলোৱাৰ কথা ভাবিলে। সুদৰ্শনৰ মনৰ কথাৰ আভাসতে উমান লৈ ৰত্নগুপ্তই ভাল পাই ক'লে, “শুনা, বাণিজ্য কৰাৰ আগ্ৰহ হ'ল আটাইতকৈ ভাল আগ্ৰহ। যিহঁতক সদায় জিৰণি লাগে, সিহঁত কেতিয়াও ভাল কাৰবাৰী নহয়, হ'ব নোৱাৰে। বেপাৰ-বাণিজ্যলৈ তোমাৰ প্ৰকৃত আগ্ৰহ থকালৈ লক্ষ্য কৰি মই অত্যন্ত ভাল পাইছোঁ। তুমি নিশ্চিন্ত মনেৰে বাণিজ্যলৈ ওলোৱা। এইবাৰৰ বাণিজ্যত তোমাৰ যিখিনি লাভ হ'ব, তাৰ আধাখিনি মই তোমাক দিম।”

প্ৰচণ্ড উৎসাহেৰে সুদৰ্শন পুনৰ পূৰ্ব-দ্বীপলৈ বুলি ৰাওনা কৰিলে। পূৰ্বদ্বীপ পাই, পুনৰ সেই আগৰ ধৰমশালাতে উঠিল। এইবাৰ কিন্তু অন্যান্য ব্যৱসায়ীৰ কথাত সুদৰ্শনো বেছি দামত বস্তু-সামগ্ৰী বেচিবৰ মনেৰে কিছুদিনলৈ ৰৈ থাকিল। সুগন্ধি সামগ্ৰীৰ দাম বেছি হ'ব এই কথা কেইবা-





তাৰ ফলত লাভৰো লাভ আৰু তাৰো উপৰি লাভ হ'ল।

বাণিজ্যৰ ক্ষেত্ৰত সুদৰ্শনৰ অপৰিসীম দক্ষতাৰ পৰিচয় পাব ৰত্নগুপ্তই এদিন সুদৰ্শনক ক'লে, "সুদৰ্শন, তোমাক এটা কথা কওঁ কওঁ বুলি কিছুদিনৰপৰা ভাবি আছোঁ। তুমি যদি মোৰ একমাত্ৰ ছোৱালীজনীক বিয়া কৰোৱা — মই সানন্দে তোমাৰ সৈতে যোৰা পাতি দিম। এই বিষয়ে তোমাৰ মতামত কোৱা।"

ৰত্নগুপ্তৰ প্ৰস্তাৱত সুদৰ্শন সানন্দে সন্মত হ'ল। আৰু এদিন এক শুভ লগনত মহা ধুমধামৰে ৰত্নগুপ্তৰ ছোৱালী সানন্দাক সুদৰ্শনে বিয়া কৰালে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, ৰত্নগুপ্তৰ অধীনত কাম কৰি থাকোঁতে সুদৰ্শন যেতিয়া পূৰ্বদ্বীপলৈ গ'ল, ধৰমশালাত অন্যান্য বেপাৰীয়ে সুদৰ্শনক দ্ৰব্য-সামগ্ৰী বেচিবলৈ এমাহমান অপেক্ষা কৰিবলৈ কৈছিল; কিন্তু সুদৰ্শনে তাৰ সামগ্ৰীখিনি খৰখেদাকৈ বেচি তেতিয়াই কান্যকুব্জলৈ গুচি গৈছিল। তাৰ পাছত সুদৰ্শন পুনৰ পূৰ্বদ্বীপলৈ গ'ল আৰু সেইবাৰ কিন্তু এমাহমান বৈ থাকিল, অতি চৰা দামত বস্তু বেচিলে আৰু ল ভৰ টকাৰে হাতীৰ দাঁতৰ

জনো অভিজ্ঞ আৰু প্ৰবীন বয়সৰ বেপাৰীয়ে দঢ়াই দঢ়াই কোৱাত সুদৰ্শনো যথেষ্ট প্ৰভাৱিত হ'ল।

আৰু—এইবাৰ সঁচাসঁচিকৈয়েই সুগন্ধি সামগ্ৰীৰ দাম বাঢ়ি গ'ল। চাহিদাও হৈছিল প্ৰচুৰ। তাৰ ফলত—যিমান লাভ হ'ব আশা কৰা হৈছিল, লাভ হ'ল তাৰ দুগুণ। সেই লাভৰ টকাৰে হাতীৰ দাঁতৰ বিভিন্ন দ্ৰব্য কিনি লৈ, সুৰ্শদন পুনৰ সেই জাহাজত উঠি কান্যকুব্জলৈ বুলি ৰাওনা হ'ল।

হাতীৰ দাঁতৰ তৈয়াৰী বস্তুবোৰো অত্যন্ত চৰা দামত বিক্ৰি হ'ল আৰু

বস্তু কিনি চাৰিগুণে লাভ কৰিব পৰা হ'ল। ৰত্নগুপ্তৰ প্ৰতিশ্ৰুতি মতে লাভৰ আধাখিনি পাব বুলি জানি যে এই সেইবোৰ কাম কৰিছিল, ৰত্নগুপ্তই নিশ্চয় নুবুজাকৈ নাছিল। গতিকে—কেৱল নিজৰ প্ৰয়োজনত যি মানুহজনে এইদৰে লাভৰো উপৰি লাভ কৰিলে—সেইজন মানুহক প্ৰসংসা কৰাটো ৰত্নগুপ্তৰ পক্ষে বৰ শোভনীয় তথা উচিত কাম হৈছিলনে? মোৰ এই প্ৰশ্নৰ উত্তৰ যদি জানিও নিদিয়া—বা মোক মিছাকৈ কোৱা—তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব — এই কথা চন্দ্ৰ-সূৰ্য্য ওলোৱাৰ দৰে ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "নিজৰ প্ৰয়োজনত সুদৰ্শনে যি কাম কৰিছিল, তাৰ কাৰণে সুদৰ্শনক কোনো অন্যায়কাৰী বা অপৰাধী বুলি কোৱা ঠিক নহয়। প্ৰথমবাৰ পূৰ্বদ্বীপলৈ যাওঁতে সুদৰ্শন আছিল এজন কৰ্মচাৰী মাথোন। গৰাকীৰ কথা মতে কাম কৰাটো এজন সৎকৰ্মচাৰীৰ কৰ্তব্য। গতিকে—প্ৰথমবাৰ সুদৰ্শনে সঠিক কামকে কৰিছিল। দ্বিতীয়বাৰ পূৰ্বদ্বীপলৈ ওলাওঁতে ব্যৱসায়ত সুদৰ্শনৰ ৰত্নগুপ্তৰ দৰেই সম-অধিকাৰ আছিল। সেইহে সুদৰ্শনে অধিক লাভ কৰিবলৈ স্বাধীনভাৱে চেষ্টা চলাইছিল, নিজেই সিদ্ধান্ত লৈছিল, আৰু সফলো হৈছিল। গতিকে—এই ক্ষেত্ৰতো সুদৰ্শনৰ অন্যায় তো হোৱা নাছিলেই, বৰঞ্চ বুদ্ধিমত্তাৰ পৰিচয় পাইহে ৰত্নগুপ্তই সুদৰ্শনক প্ৰশংসা কৰাৰ উপৰিও নিজৰ ছোৱালীজনীক উপযাচি উপহাৰস্বৰূপে দি সুদৰ্শনৰ বুদ্ধিমত্তাৰ মূল্য দিছিল বুলি ক'ব পাৰি।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

আলিবাটৰ চালি

ল'ৰাটি হ'ল হালোৱাৰ, হ'ল কি হ'ল পোছাকে-পাতিয়ে দেখনিয়াৰ। দামী দামী পোছাক-পাতি পিন্ধি আলিবাট চালি ধৰি এনেকৈ টাং-টিঙালি কৰি ফুৰিছিল যে—তাক বিৰাট ধনীৰ মানী পুতেক যেনহে লাগিছিল। কিন্তু তাৰ এই ফিতাহি মৰা কাণ্ড-কাৰ্খণা তাৰ দেউতাকে ভাল নাপায়। বেয়া পাই পাই—এদিন তাৰ দেউতাকে তাৰ ফুটি-দাঁত সৰুৱাব বুলি ভাবিলে।

পৰিকল্পনা অনুসাৰে, হালোৱাই এজনী গাইক ভালকৈ সজাই-পৰাই ডিঙিত ঘণ্টা বান্ধি হাটলৈ লৈ যাবলৈ ক'লে তাক।

হাটত কিনোতাইতে তাক সুধিলে, ""গাইজনীয়ে দিনৌ কিমানখিনি গাখীৰ দিয়েনো? খায় কিমান?"

হাট শেষ হওঁ হওঁ হ'ল; কিন্তু গাইজনী বেচা নগ'ল। নিচেই কম দামতো চেষ্টা কৰি চোৱা হ'ল, তথাপি নহ'ল।

সাঁজ লাগি ভগাৰ পাছত ল'ৰাটোৱে গাইজনীৰে সৈতে ঘৰলৈ ঘূৰিল। গাইজনী বেচিব নোৱৰা বাবে মনটো তাৰ বেয়া লাগি আছিল।

হালোৱাই তাৰ ল'ৰাটোক ক'লে. "চা, বোপা, গাখীৰ নিদিয়া গাই এজনীক যিমানেই সজাই-পৰাই ঘণ্টা বান্ধি হাটলৈ লৈ যোৱা, দাম নোপোৱা! কেৱল সাজ-পাৰেৰে সজ কাম কেতিয়াও নহয়।"

কেৱল সাজ-পাৰেৰে যে নিজৰ মূল্যবৃদ্ধি কৰিব নোৱাৰি, ল'ৰাটোৱে সেই কথাটো উপলব্ধি কৰিলে আৰু আলিবাটত চালি ধৰাৰ স্বভাৱ এৰি স্বাভাৱিক হৈ উঠিল।



চান্দমামা ক্রোড়পত্র-৬

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক
এই মাহৰ ব্যক্তিত্ব

টেঘ বহাদুৰ

শিখ সম্প্ৰদায়ৰ নৱম গুৰু টেঘ বহাদুৰ ১৬২১ চনৰ ১ এপ্ৰিলত অমৃতসৰত জন্মগ্ৰহণ কৰিছিল। তেওঁ আছিল শিখসকলৰ ষষ্ঠ গুৰু গুৰু হৰগোবিন্দৰ পুত্ৰ সৰুৰেপৰাই বিভিন্ন বিষয়লৈ টেঘ বহাদুৰৰ ৰাপ থকা দেখা গৈছিল।

১৬৬৪ চনত গুৰু হৰিকিষণ স্বৰ্গী হোৱাৰ অন্তত টেঘ বহাদুৰক গুৰু পতা হ'ল। টেঘ বহাদুৰে 'আনন্দপুৰ' নামৰ নতুন চহৰ এখন প্ৰতিষ্ঠা কৰিছিল।

তেতিয়া দেশত মোগল সম্ৰাট অওৰংজেৱৰ অত্যাচাৰ গগনচুম্বী। ব্ৰাহ্মণ লোকসকলক ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ কোৱাত ব্ৰাহ্মণসকলে টেঘ বহাদুৰৰ শৰণ ল'লে। গুৰু টেঘ বহাদুৰে ব্ৰাহ্মণসকলক ক'লে: অওৰংজেৱে টেঘ বহাদুৰক ইছলাম ধৰ্ম গ্ৰহণ কৰোৱাব পাৰিলে তেওঁলোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰিব বুলি কওকগৈ। অওৰংগজেৱে গুৰু টেঘ বহাদুৰক গ্ৰেপ্তাৰ কৰিলে আৰু ইছলাম গ্ৰহণ কৰক নাইবা অলৌকিকত্ব প্ৰদৰ্শন কৰক বুলি কোৱাত টেঘ বহাদুৰে এটাও মানি নল'লে। ১৬৭৫ চনৰ ১১ নৱেম্বাৰ তাৰিখে গুৰু টেঘ বহাদুৰক হত্যা কৰা হ'ল।

তেওঁনো কোন

ৰাজবোষত পৰা যুৱক এজনে ৰজাৰ চিপাহীৰ ভয়ত বাট এৰি পথাৰৰ মাজেদি গৈ থাকোঁতে এঠাইত এজন ব্ৰাহ্মণে জোঙা জোঙা আগ থকা এবিধ ঘাঁহৰ গুৰিত পানী ছটিউৱা দেখি সুধিলে, "আপুনি কি কৰিছেনো?"

"মই এইবোৰ ঘাঁহৰ গুৰিত মিঠা পানী ছটিয়াইছোঁ, যাতে মিঠা পাই পৰুৱাই ইহঁতক শিপাৰে সৈতে খাই শেষ কৰে।"

"কিন্তু—কিয়?" যুৱকে সুধিলে।

"এইবিলাকে মোৰ ভৰিৰ তলুৱাত বিন্ধি তেজ উলিয়াই দিছে।" ব্ৰাহ্মণে ক'লে, "মই ইহঁতক পুলিয়ে-পোখাই ধ্বংস কৰিহে এৰিম।"

এই দৃঢ়সংকল্পবদ্ধ ব্ৰাহ্মণকো ৰজাই কিবা অছিলাত অপমান কৰিছিল। যুৱক আৰু ব্ৰাহ্মণ বন্ধুত্বৰ অনাজৰীৰে আবদ্ধ হ'ল।

যদিও কিংবদন্তী, তথাপি কৰ্মলৈ এই দৃঢ়প্ৰতিজ্ঞ ভাব হ'ল প্ৰকৃত ব্ৰাহ্মণৰ চিত্ৰ।

তেওঁনো কোন আছিল?

[উত্তৰ: ৮ পৃষ্ঠাত

বিজ্ঞানৰ আনন্দ





বীজৰ ভিতৰফালত

কেনেকৈ কি কৰিব লাগিব ঃ

কিছুমান লিমা লেচেৰা বা উৰহী, নাইবা অন্য ধৰণৰ উৰহী অলপ পানীত ওৰে ৰাতিলৈ তিওৱা। তাৰ পাছত বীজৰ কোমল শোটোৱা-শোটোৰ হৈ পৰা চোকোৰা গুচাই বীজ এটা লাহেকৈ আধাডোখৰ কৰি চোৱাচোন! দুই আধা বীজৰ ভিতৰফালত একদম অকণমানকৈ কিবা দেখা পাইছানে? যদি মেগনিফাইং কাঁচ আছে, আৰু ভালকৈ মনিব পাৰিবা।

কি আৰু কিয় হয় ঃ

বীজটোৰ দুই আধাৰ ভিতৰত অতি সূক্ষ্ম অংকুৰ দেখা পাবা। ইয়াক ভ্ৰূণ বোলে। তুমি যদি ভালকৈ পৰীক্ষা কৰাঁ, তেনেহ'লে সেই ভ্ৰূণ বা অংকুৰত একেবাৰে বিন্দুৰ মান দুটি পাত আৰু অলপ বেঁকাবিধৰ মাৰিও এডাল দেখা পাবা। দৃষ্টিশক্তি ভাল হ'লে, বা মেগ্‌নিফাইং কাঁচৰ মাজেদি মনিলে কণ কণ পাতৰ সিৰবোৰো কিজানি দেখা পাবা।

ভ্ৰূণৰ দুই আধা-ৰ গাত থকা ঠাৰিয়ে দেখুৱাই দিব যে সিহঁত কোনখিনিত লগ লাগি আছে। ভ্ৰূণ বা অংকুৰ যেতিয়া বাঢ়িব, তেতিয়া ঠাৰি আৰু ঘাই শিপাও মনিব পৰা হ ব আৰু উৰহীৰ বীজৰ দুই আধা দেখাত অগঢ়ীবিধৰ হৈ পৰিব, কিয়নো, তিমানতে ওলাবৰ হৈছেই। এইবিলাকক বীজৰ পাত বুলি কোৱা হয়, কিন্তু আচলতে ভ্ৰূণ যথেষ্ট ডাঙৰ দীঘল হৈ নুঠালৈকে এই কণ কণ পাতবোৰে ভ্ৰূণৰ খাদ্যৰহে যোগান ধৰে।

বীজবোৰ হ'ল কণীৰ দৰেই। কণীবো ভ্ৰূণ আছে, বীজৰো আছে। কিন্তু অধিকভাগ বীজৰ ভ্ৰূণ ইমানেই ক্ষুদ্ৰাতিক্ষুদ্ৰ যে তাক চকুৰে মনিবই নোৱাৰি। কিছুমান তিওৱা বীজ কই চোৱাচোন কেনেকৈ বঢ়ে? কিছুমান বীজ দুই আধা নহয়, কিন্তু কিছুমান হয়। কিমান বীজ দুই আধা হয় বুলি তুমি ক'ব পাৰা—চেষ্টা কৰি চোৱাচোন?

অবাক পৃথিৱীৰ আচৰিত বস্তু

হেলিকাৰ্নাছাছৰ সমাধি-মন্দিৰ

আঢ়ৈ হেজাৰ বা তাতোকৈ অধিক বছৰৰ আগতে এজিয়ান সাগৰৰ তীৰত হেলিকাৰ্নাছাছ নামৰ এখন ধুনীয়া নগৰ আছিল। এই নগৰখন আছিল এখন গ্ৰিক-উপনিবেশ। কেয়াৰিকৰ ৰজা মছোলাছৰ বিধৱা পত্নী ৰাণী আৰ্টেমিজিয়াই ৰজাৰ সমাধিৰ ওপৰত অতি চিত্তাকৰ্ষক কীৰ্তিস্তম্ভ এটা সজাইছিল। এই কীৰ্তিস্তম্ভৰ চাৰিওফালে তিনিশ ফুটকৈ মুকলি পথাৰ আছিল। এই কীৰ্তিস্তম্ভটি দেখাত আছিল অতি আকৰ্ষক, আৰু তেতিয়াৰ দিনত এই কীৰ্তিস্তম্ভটিক প্ৰাচীন জগতৰ সাতোটি বিস্ময়কৰ দ্ৰষ্টব্যৰ মাজত এটি বুলি ভবা হৈছিল। খ্ৰিষ্টপূৰ্ব ৪ শতিকাত এই কীৰ্তিস্তম্ভ নিৰ্মিত হৈছিল, আৰু ৪ খ্ৰিষ্টাব্দত তুৰস্কৰ শাসকইঁতে এই কীৰ্তিস্তম্ভক ধ্বংস কৰিছিল।



অসীম ঐশ্বৰ্য্যৱান সম্ৰাট হ'ল হতমান

এছিয়া মাইনৰত অৱস্থিত লিডিয়া সাম্ৰাজ্য ষষ্ঠ শতিকাত তেতিয়াৰ জগতৰ অসীম ঐশ্বৰ্য্যৱান সম্ৰাট ক্ৰোয়েছাছে শাসন কৰিছিল। তেতিয়াৰ কালত ঐশ্বৰ্য্যৱান বুলি বুজাওঁতে ক্ৰোয়েছাছ বুলি কোৱা হৈছিল। এদিন সম্ৰাট ক্ৰোয়েছাছে তৎকালীন খ্যাতিমন্ত দাৰ্শনিক ছ'লঁক কথাই কথাই ক'লে যে তেওঁ [সম্ৰাট] হ'ল জগতৰ সৰাতোকৈ সুখী ব্যক্তি. কিয়নো. অৰ্থ আৰু ক্ষমতা—সকলো তেওঁৰ কৰায়ত্ত। দাৰ্শনিক ছ'লঁই সম্ৰাটক ক'লে. "মৃত্যু নোহোৱালৈকে কোনো সুখী নহয়।"

কিন্তু দাৰ্শনিকৰ এই মন্তব্যাত সম্ৰাট ক্ৰোয়েছাছ ক্ৰুদ্ধ তথা বিতুষ্ট হ'ল।

সম্ৰাট ক্ৰোয়েছাছ দেলফিৰ পুৰোহিত-সকলৰ ভৱিষ্যদ্বাণীত আৰু দৈৱবাণীতো বিশ্বাসী আছিল। তেওঁ পাৰস্য বিজয়ৰ মন্ত্ৰণা কৰি দেলফিৰ পুৰোহিতহঁতলৈ সুধি পঠালে যে তেওঁৰ পাৰস্য-অভিযানৰ ফলাফল কি হ'ব। পুৰোহিতসকলে কৈ পঠালে যে সম্ৰাটৰ পাৰস্য অভিযানৰ ফলত এখন সমৃদ্ধ দেশ ধ্বংস হব। সম্ৰাটে ভাবিলে যে পাৰস্যখনহে ধ্বংসপ্ৰাপ্ত হ'ব। তেওঁ ৪,২০,০০০ পদাতিক আৰু

৬০,০০০ অশ্বাৰোহী সৈন্যৰে ৰাওনা কৰিলে পাৰস্য-বিজয়লৈ ; কিন্তু লিডিয়া ধ্বংস হ'ল আৰু তেওঁ বন্দী হ'ল। বাদশ্বাহ ছাইৰাছে ক্ৰোয়েছাছক জীয়ন্তে পুৰি মাৰিবলৈ আদেশ দিলে। তেওঁ আৰ্তনাদ কৰি কৈ উঠিল ঃ "হে ছ'লঁ!"

বাদশ্বাহ ছাইৰাছে ক্ৰোয়েছাছক সুধিলে যে তেওঁ দাৰ্শনিক ছ'লঁৰ নাম কাঢ়ি আৰ্তনাদ কৰিছে কিয়? তেতিয়া ক্ৰোয়েছাছে দাৰ্শনিক ছ'লঁৰ সেই উক্তিষাৰ ছাইৰাছক কোৱাৰ অন্তত মন্তব্য কৰিলে, "দাৰ্শনিকৰ উক্তি কিমান যে সত্য!"

এই কথা শুনি ছাইৰাছৰ মনত ক্ৰোয়েছাছলৈ পুতৌ উপজিল আৰু তেওঁক মুক্তি দি বন্ধুত্ব স্থাপন কৰিলে।

ভাৰতৰ অতীতলৈ ভুমি চাওঁ আহঁা

১. তিনিখন গাঁও কিমান মূল্যেৰে কিনি ইস্ট ইণ্ডিয়া কম্প্যানিয়ে কলিকতা মহানগৰী প্ৰতিষ্ঠা কৰিছিল ?
২. বিক্ৰেতা কোন আছিল ?
৩. ইস্ট ইণ্ডিয়া কম্প্যানিৰ হৈ কিনোতা কোন আছিল ?
৪. গাঁওকেইখনৰ নাম কি আছিল ?
৫. গ্ৰিক ঐতিহাসিক টলেমিয়ে কোৱা মতে সাতোটি দ্বীপৰ সমষ্টি 'হেপ্টানেছিয়া'—আজিৰ কোনখন মহানগৰীক কোৱা হৈছিল ?
৬. বম্বেৰ বিদেশী গৰাকীইতৰ মাজত প্ৰথম কোন আছিল ?
৭. বম্বেৰ অধিকাৰ কোনগৰাকী জেনেৰেলে লৈছিল আৰু কেতিয়া ?
৮. তেওঁ কেনেকৈ অধিকাৰ পাইছিল ?
৯. কোনখন গাঁৱৰ উন্নতি সাধন কৰি আজিৰ মাদ্ৰাজ নগৰখনৰ পাতনি তৰা হৈছিল ?
১০. আজিৰ দিল্লীখন য'ত অৱস্থিত, সেই ঠাইৰ প্ৰাচীন নাম কি আছিল ?

[উত্তৰ : ৮ পৃঃ]

সত্যঘটনা বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিষ্কাৰৰ পৃথিৱীত

১. আমাৰ সৌৰ-জগতত কিমান গ্ৰহ আছে ?
১. গ্ৰহসমূহৰ মাজত কোন গ্ৰহ আটাইতকৈ ডাঙৰ ?
৩. আটাইতকৈ ক্ষুদ্ৰ গ্ৰহ কোনটো ?
৪. সূৰ্য্যৰ আটাইতকৈ ওচৰত কোনটো গ্ৰহ অৱস্থিত ?
৫. সূৰ্য্যৰপৰা দূৰত্বৰ পৰিপ্ৰেক্ষিতত পৃথিৱীৰ অৱস্থান কি ?
৬. গ্ৰহৰ বাহিৰে সৌৰ-জগতত আৰু কিবা আছেনে ?
৪. আমি দেখা উজ্জ্বলতম তৰা কোনটো ?
৮. গণিতৰ যোগেদি কোনটো গ্ৰহ আৱিষ্কৃত হৈছে ?

[উত্তৰ : ৮ পৃষ্ঠাত]



১. শ শ গল্প-কাহিনীৰ চৰিত্ৰ ৰূপে প্ৰকাশিত ব্যক্তিত্ব গৰাকী কোন?

২. তেনেকুৱা গল্প কাহিনীৰ সংকলনৰ নাম কি?

৩. ভাৰতৰ কোনখন ৰাজ্য পৰশুৰামৰ নিৰ্দেশত সাগৰৰপৰা উত্থিত হৈছিল?

৪. অৰ্জুনৰ শংখৰ নাম কি আছিল?

৫. গাভী-মাতা কোন?

৬. ভাৰতৰ কোন মন্দিৰৰ বিগ্ৰহক এতিয়াও বিয়া নোহোৱা বিয়াৰ কইনা বুলি ভবা হয়?

৭, এই বিগ্ৰহই বিনাশ কৰা দৈত্যৰ নাম কি?

৮. ৰাৱণক বধ কৰাৰ বাবে শ্ৰীৰামচন্দ্ৰই ব্যৱহাৰ কৰা ধনুৰ নাম কি?

৯. এই ধনু তেওঁক কোনে দিছিল?

১০. ৰাৱণে ব্যৱহাৰ কৰা তৰৱাৰিৰ কি?

১১. এই তৰৱাৰিখন তেওঁক কোনে দিছিল?

[উত্তৰ : ৮ পৃষ্ঠাত]

ভাৰতৰ সকলো ভাষাত এটা শব্দ

আমি শিকোঁ আহাঁ

‡ পৰ্বত ‡

অসমীয়া : পৰ্বত ; বাংলা : পৰ্বত ; গুজৰাটি : পৰ্বত ; কন্নড় : পৰ্বত ; মৰাঠী : পৰ্বত ; ওড়িয়া : পৰ্বত ; সংস্কৃত : পৰ্বত ; তেলুগু : পৰ্বতম্ ; হিন্দী : পহাড় ; পঞ্জাবী : পহাড় ; কাশ্মীৰি : কোহ্. পহাড় : উৰ্দু : পহাড়. কোহ; তামিল : মলাই ; সিন্ধি : জাভ্‌লু ; ইংৰাজি : মাউন্টেন।

বিশ্বাস কৰানে ?

* প্লাষ্টিক ছাৰ্জাৰি অৰ্থাৎ শল্য চিকিৎসা হ'ল সাম্প্ৰতিক বিজ্ঞান ?
* চৰায়ে ডেউকা কোবাই বতাহত ভাহি থাকে ?
* ঢেৰেকনি একেডোখৰ ঠাইত তুবাৰ নপৰে ?

এ—নহয় !

* সুশ্ৰুত, খৃষ্টপূৰ্ব ৮—৭ শতিকাৰ এই গৰাকী মহান ভাৰতীয় শল্যবিদে একেইবিধৰ শল্য-চিকিৎসা প্ৰয়োগ কৰিছিল।
* চৰায়ে ডেউকা নোকোবোৱাকৈয়েই ঘণ্টাৰ পাছত ঘণ্টা ধৰি বতাহত ভাহি থাকিব পাৰে।
* ঢেৰেকনি যিকোনো ঠাইত বহু বাৰ পৰিব পাৰে।

উত্তৰ

তেওঁনো কোন ?

ব্ৰাহ্মণ : চাণক্য বা কৌটিল্য।
যুৱক : চন্দ্ৰগুপ্ত মৌৰ্য্য।

ভাৰতৰ অতীত

১. এহেজাৰ দুশ টকা।
২. সাৱৰ্ণ ৰায় চৌধুৰী।
৩. জোব্ চাৰ্নক।
৪. কালীঘাট, গোবিন্দপুৰ আৰু সূতানুটি।
৫. বম্বে।
৬. পৰ্টুগিজ।
৭. জেনেৰেল আল্‌বুকাৰ্ক, ১৫৩৪ চনত।
৮. গুজৰাটৰ ছুলতান বাহাদুৰ শ্বাহৰ সৈতে সন্ধিচুক্তিৰ যোগেদি।
৯. মাদ্ৰাজপটম্।
১০. ইন্দ্ৰপ্ৰস্থ।

সত্য ঘটনাৰ পৃথিৱীত

১. পৃথিৱীৰ সৈতে নটা গ্ৰহ।
২. বৃহস্পতি, বিষুব-ব্যাস ৮৮,৮৪৬ মাইল।
৩. প্লুটো, ব্যাস ১৮৬০ মাইল।
৪. বুধ গ্ৰহ।
৫. তৃতীয়।
৬. অসংখ্য উপগ্ৰহ সৌৰ জগতত উটি ফুৰিছে, বিশেষকৈ মংগলগ্ৰহ আৰু বৃহস্পতি গ্ৰহ এই দুটা গ্ৰহৰ অক্ষৰ মাজত।
৭. ছিৰিয়াচ এ ; ডগ্ স্টাৰ বুলিও কোৱা হয়।
৮. নেপচুন গ্ৰহ।

সাহিত্য-পুৰাণ

১. বুদ্ধ।
২. জাতক-কাহিনী।
৩. কেৰালা।
৪. দেৱদত্ত।
৫. কামধেনু ; সুৰভি বা নন্দিনী বুলিও কোৱা হয়।
৬. কন্যাকুমাৰী।
৭. বনাসুৰ।
৮. ইন্দ্ৰধনুষ।
৯. অগস্ত্য মুনি।
১০. চন্দ্ৰহাস।
১১. প্ৰভু শিৱ।



নেহৰু-উপখ্যান-২

জৱহৰলাল নেহৰু যেতিয়া দহ বছৰীয়া, তেতিয়া তেওঁৰ দেউতাকে আগৰ ঘৰটোৰ পৰিৱৰ্তে 'আনন্দভৱন' নামৰ প্ৰকাণ্ড ঘৰ এটাত থিতাপি হ'লগৈ। এই আনন্দভৱনলৈ আহি জৱহৰলালৰ ইমান যে ফূৰ্তি! উত্তেজনা-আনন্দত জৱহৰলালে এই বিৰাট অট্টালিকাটোৰ চাৰিওফালে জঁপিয়াই ফুৰিব ধৰিলে।

জৱহৰলালে খেল-ধেমালি কৰিবলৈ এজন ভায়েক বা এজনী ভনীয়েকৰ বাবে ৰব অভাৱবোধ কৰিছিল। আৰু অৱশেষত এদিন তেওঁৰ মনৰ ইচ্ছা পূৰ্ণ হ'ল। ডাক্টৰ এগৰাকীয়ে জৱহৰলালক ক'লে যে তেওঁৰ ভনীয়েক এজনী উপজিল-আৰু ভাগ্যক্ৰমে তেওঁৰ বাপতি-সাহোনৰ ভাগ ল'বলৈ ভায়েক নহ'ল। ডাক্টৰ কথাত খং উঠি জৱহৰলালে সুধিছিল যে ডাক্টৰে তেওঁক ইমান স্বাৰ্থপৰ বুলি ভাবিছে কিয়।





জৱহৰলালৰ পিতাদেউ ইংলেণ্ডলৈ গৈছিল। তেওঁ যেতিয়া ইংলেণ্ডৰপৰা উভতি আহিল, তেতিয়া ৰক্ষণশীল কাশ্মিৰী ব্ৰাহ্মণইতে সাগৰ পাৰ হোৱাৰ বাবে তেওঁক প্ৰায়শ্চিত্ত কৰিবলৈ ক'লে; কিন্তু তেওঁ একোপধ্যে মান্তি নহ'ল। এই কথাই কাশ্মিৰী-সমাজত এক বিৰাট আলোড়ন উপস্থিত কৰিলে, আৰু জৱহৰলালে উপলব্ধি কৰিলে সাধাৰণ জ্ঞান আৰু কুসংস্কাৰৰ সুতীব্ৰ সংঘৰ্ষক।

জৱহৰলালৰ বিদ্যাভ্যাস আৰম্ভ হৈছিল এগৰাকী ইঅ'ৰোপীয় শিক্ষকৰ অধীনত। এই শিক্ষকগৰাকীৰ নাম আছিল এফ. টি. ,ব্ৰুক্‌ছ। জৱহৰলালে এলিছেছ এডভেঞ্চাৰ, দ্য জাংগল্ বুক, আৰু ডন কুইক্সোট আদি গ্ৰন্থলৈ বিৰাট ভাৱে আকৰ্ষিত হৈ উঠিল। এই আশ্চৰ্য্যজনক কিতাপসমূহে তেওঁক সম্পূৰ্ণ এক অন্য জগতলৈ লৈ গৈছিল।

তেওঁৰ শিক্ষাগুৰু ব্ৰকছ আছিল এগৰাকী ব্ৰহ্মবিদ ব্যক্তি। তেওঁ বিশ্বাস কৰিছিল যে এজনে আন এজনৰ দেহত অদৃশ্য অৱস্থাত ভৌতিকভাৱে বিচৰণ কৰিব পাৰে। ব্ৰুকছৰ এই ধাৰণা জৱহৰলালৰ মনতো শিপালে আৰু ৰাতিৰ পৰতে প্ৰায়েই তেওঁ মকৰ মাজত ভাহি ফুৰাৰ দৰে আকৰ্ষনীয় সপোন দেখি থাকিল।



ৰাতৰি-কাকতত ৰুছ-জাপান যুদ্ধৰ বাতৰি পঢ়ি জাতীয়তাবাদী চেতনাই তেওঁৰ মন তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে, আৰু তেওঁ এই বিশ্বাসত দৃঢ় হ'ল যে কেৱল প্ৰাচীন যুঁজাৰু বীৰইতৰ দৰে অস্ত্ৰেৰেহে পৰাধীন ভাৰতৰ স্বাধীনতাক সন্মানেৰে সৈতে ঘূৰাই আনিব পাৰি।

তেওঁৰ পোন্ধৰ বছৰ বয়সতে তেওঁ তেওঁৰ মাক-দেউতাকৰ লগত লণ্ডনলৈ গ'ল। লণ্ডনলৈ অহাৰ দিনাই তেওঁলোক বিখ্যাত ডাৰ্বি ঘোঁৰাদৌৰৰ পথাৰলৈ গ'ল ঘোঁৰাৰ দৌৰ চাবলৈ। তেওঁ তৎকালীন ইংলেণ্ডত থকা বহু সংখ্যক বিখ্যাত বিখ্যাত ভাৰতীয় বিদ্বান-বুদ্ধিমান ব্যক্তিৰ সৈতে চিনাকি হৈছিল।



অধ্যয়নৰ বাবে তেওঁক ইংলণ্ডৰ 'হ্যাৰো'লৈ পঠোৱা হ'ল আৰু তেওঁক এক অচিনাকি পৰিবেশত এৰি থৈ তেওঁৰ মাতৃ-পিতৃ দেশলৈ উলটি গ'ল। তেওঁ অত্যন্ত নিঃসংগ বোধ কৰি থাকিল। কিন্তু চাওঁতে চাওঁতে তেওঁ এই নতুন পৰিবেশত নিজক খাপ খুৱাই ল'লে আৰু খেলা-ধুলাত মনোনিবেশ কৰিলে।

১৯০৫ চনৰ কথা। ইংলেণ্ডত সাধাৰণ নিৰ্বাচন আসন্ন। জৱহৰে ইংলেণ্ডৰ এই সাধাৰণ নিৰ্বাচনৰ খবৰ-বাতৰি অতি মনোযোগৰে বাতৰি-কাকতত পঢ়িছিল। নিৰ্বাচন অনুষ্ঠিত হোৱাৰ অন্তত এদিন বিদ্যালয়ত শিক্ষক মহাশয়ে নিৰ্বাচনৰ ফলাফলৰ কথা সোধোঁতে সমগ্ৰ ক্লাছত কেৱল জৱহৰেই নিৰ্বাচনৰ ফলাফলৰ সম্পৰ্কে সঠিক উত্তৰ দিব পাৰিছিল।





ক্ৰমে জৱহৰ নিজ দেশ ভাৰতবৰ্ষৰ খবৰা-খবৰ সম্পৰ্কেও উদ্বিগ্ন হৈ উঠিল। তেতিয়া বংগ, পঞ্জাব আৰু মহাৰাষ্ট্ৰৰ দেশপ্ৰেমিকবৰ্গই বৃটিছ-ৰাজৰ বিৰুদ্ধে বিক্ষুব্ধ হৈ উঠিছিল। কিন্তু জৱহৰ শিক্ষা-স্থল হ্যাৰোত এনে এজনো নাই, যিজনৰ সৈতে তেওঁ এইবোৰ বিষয়ত কথা পাতিব। জৱহৰ অস্থিৰ হৈ উঠিল।

এই সময়ছোৱাত তেওঁ তেওঁৰ বিদ্যালয়ৰপৰা পুৰস্কাৰ হিচাপে ইতালিৰ দেশপ্ৰেমিক তথা বিপ্লৱী গেৰিবল্ডিৰ বিষয়ে লিখা কিতাপ এখন পাইছিল। গেৰিবল্ডিৰ জীৱনধাৰাই জৱহৰক মুগ্ধ কৰিলে। জৱহৰৰ মনত তেতিয়া ভাৰত আৰু ইতালি একেই যেন হৈ উঠিল।





এইবোৰ চিন্তা-চৰ্চাৰ পক্ষে হ্যাৰো নামৰ ঠাইটুকুৰা আছিল সীমাবদ্ধ। তেওঁ তেওঁৰ দেউতাকলৈ এই ইচ্ছা প্ৰকাশ কৰিলে যে তেওঁক কেম্‌ব্ৰিজলৈ পঠোৱা হওক। তেওঁৰ এই প্ৰস্তাৱ মতিলালে মানি ল'লে আৰু হ্যাৰোত দুবছৰ পাৰ কৰাৰ পাছত জৱহৰে অৱশেষত হ্যাৰো পৰিত্যাগ কৰিলে। [আগলৈ

বাটৰ কচু

সীতাপুৰৰ সীতানাথৰ বাপতি-সাহোন যথেষ্ট পৰিমাণে থকা সত্বেও সি নিজে শ্ৰম কৰি আয়-উপাৰ্জন কৰিছিল। তাক ছোৱালী দিবলৈ বহুতেই চেষ্টা কৰি কৰি হায়ৰাণ হৈ পৰিছিল। কিন্তু বিয়াৰ নাম শুনিলেই সীতানাথৰ গাত বাঢ়নী লগা যেন হৈছিল, সাত কিল মাৰিছিল।

এনেতে এদিন চুবুৰীয়া গাঁৱৰ ৰুদ্ৰ-নাৰায়ণে ছোৱালী এজনীক লগত লৈ, আন কিছুমানৰ সৈতে সীতানাথৰ ঘৰলৈ গৈ সীতানাথক ক'লে, "তুমি যে মোৰ ছোৱালীজনীক বিয়া কৰায়ো ঘৰৰপৰা উলিয়াই দিলা—এই জঘন্য কাম—মানুহ হৈ মানুহৰ কাম কৰিলানে?"

সীতানাথে ৰুদ্ৰনাৰায়ণৰ কথাৰ মাথা-মুণ্ড বুজি নাপাই ক'লে, "এইবোৰ কথা মই একো বুজা নাই দেখোন।"

"এঃ! বুজা নাই বুলি ক'লেই নহ'ব নহয়? নুবুজাৰ কথা আগতেই বুজা উচিত অছিল।" ৰুদ্ৰনাৰায়ণে ৰৌ ৰোৱাই উঠি সীতানাথক ক'লে।

কথা বিষম দেখি সীতানাথ গাঁৱৰ গাঁওবুঢ়াৰ কাষ চাপিল আৰু এই চক্ৰান্তৰ পৰা তাক ৰক্ষা কৰিবলৈ অনুৰোধ কৰিলে।

সীতানাথ যে সৎ মানুহ সেই কথা গাঁওবুঢ়াই জানিছিল। তেওঁ পাছদিনা সীতানাথক পুনৰ আহিবলৈ ক'লে।

পাছদিনা যেতিয়া সীতানাথ গাঁও-বুঢ়াৰ কাষ চাপিল, ঠিক তেতিয়াই লগত সুন্দৰী যুৱতী এজনীক লৈ ভেলাইৰাম নামৰ মানুহ এজন ওলালহি আৰু ভেলাই-ৰামে গাঁওবুঢ়াৰ ওচৰত সীতানাথৰ বিৰুদ্ধে

এই গোচৰ তৰিলে যে—মাত্ৰ চাৰি মাহৰ আগতে সীতানাথে তেওঁৰ এই ছোৱালী-জনীক বিয়া কৰাইছিল, কিন্তু বিয়া হোৱাৰ কেইদিনমানৰ পাছত খেদি দিলে। ভেলাইৰামে সীতানাথক ক'লে, "লাগিলে মই তোমাক্ লাখ টকাকে দিম, পিছে—তাইক ওভোতাই ল'ব লাগিব।"

ইতিমধ্যে ৰুদ্ৰনাৰায়ণো তালৈ আহিল আৰু ৰুদ্ৰনাৰায়ণৰ ছোৱালীজনীক যে সীতানাথে বিয়া কৰাইছিল—তাৰ সাক্ষী-প্ৰমাণ লৈ আহিব পাৰিব বুলি ৰুদ্ৰনাৰায়ণে ক'লে। ভেলাইৰামেও ক'লে যে—তেওঁৰ ছোৱালীজনীক সীতানাথে বিয়া কৰোৱাৰ সাক্ষী তেওঁ লৈ আহিব পাৰিব।

ভেবেকা লগা গাঁওবুঢ়াই ক'লে, "এয়ানো কেনেকুৱা কথা! একেলগে দুজনীক বিয়া কৰাব কেনেকৈ সীতানাথে? কিয় সীতানাথে এইদৰে বাটৰ কচু গাত ঘঁহি ল'ব? নিশ্চয় এই কথাত ছলত কাণ কাটিব পৰা কিবা থাকিব পায়।"

ঠিক তেতিয়াই তাত কচাই এজন ওলালহি। কচায়ে ৰুদ্ৰৰ ছোৱালীজনীলৈ চাই ক'লে, "বোলোঁ—বাঃ বাঃ! বঢ়িয়া! মোক বিয়া কৰোৱাৰ আগতেই কিন্তু ভবা উচিত আছিল যে মই কচাই। এতিয়া—বিয়া কৰালাই যেতিয়া — ব'লা মোৰ লগত মোৰ ঘৰলৈ।"

গাঁওবুঢ়াই অবাক মানি কচাইটোক সুধিলে, তুমি—এইক বিয়া কৰাইছিলা!"

"ওঁ তো—। তাই আপোনাৰ ইয়াত থকাৰ খবৰ পাই মই বিয়াৰ সাখী কিছু-মানক লগত লৈয়েই আহিলোঁ। লাগিলে আৰু সাখী আনিব পাৰিম।" কচায়ে গাঁওবুঢ়াক ক'লে।

সাক্ষীহঁতৰ কথা শুনাৰ অন্তত গাঁও-বুঢ়াই দৃঢ়তাৰে ঘোষণা কৰিলে, "মোক আৰু একো প্ৰমাণ নালাগে। ৰুদ্ৰৰ ছোৱালীক যে সীতানাথে বিয়া কৰোৱা নাছিল, তাৰ প্ৰমাণ মই পালোঁ।"

"এইবোৰ চব মিছা কথা। মই সেই কচাইটোৰ ঘৰলৈ কদাপি নাযাওঁ।" ৰুদ্ৰনাৰায়ণ ছোৱালীজনীয়ে তথা কচাইৰ ঘৈণীয়েকে ক'লে।

গাঁওবুঢ়াই ক'লে, "এনেকৈ ক'লেই হ'বনে? বিয়া কৰালাই যেতিয়া—যোৱা, সুখে-সন্তোষেৰে ঘৰ কৰাগৈ যোৱা।"

তেতিয়া ৰুদ্ৰৰ ছোৱালীজনীয়ে চেৰেউ-ফেৰেউকৈ কান্দি উঠি ক'লে, "এই ৰুদ্ৰ-নাৰায়ণো মোৰ দেউতা নহয়, দূৰ সম্পৰ্কৰ আত্মীয় মাথোন। সীতানাথৰ সা-সম্পত্তি হাত কৰাৰ লোভতহে মোক সজাই-পৰাই বুজাই-বৰাই লৈ আহিছিল। মোক সেই সীতানাথেও বিয়া কৰোৱা নাছিল, কচায়েও বিয়া কৰোৱা নাছিল।"

"যা হওক—এটা সমস্যাৰ সমাধান হ'ল তেও। তেনেহ'লে এতিয়া সীতাই ভেলাইৰামৰ ছোৱালীজনীক লৈ ঘৰ কৰিব পাৰিব।" গাঁওবুঢ়াই ক'লে।

সীতানাথে চীঁ চিয়াই গাঁওবুঢ়াক ক'লে, "কথা এটা কওঁনে আপোনাক? —মই কিন্তু কস্মিনকালেও কোনো এজনীকো বিয়া কৰোৱা নাছিলোঁ। বিয়া হ'ল মোৰ বিহ-বৈৰী।"

তেতিয়া ভেলাইৰামে ক'লে, "গ'ল-ব'ল কথা এৰি দিয়া। এতিয়া কোৱা—মোৰ ছোৱালীজনীক বিয়া কৰোৱাত তোমাৰ কিবা অসুবিধা আছেনে?"

"কিন্তু—এইবোৰ কথা-কাণ্ডৰ মাথা-মুণ্ড মই একো-এটাও ঠামৰ কৰিব পৰা নাই দেখোন। ঠিক যেনিবা এখন সকস্থুৰা নাটৰ দৰেহে লাগিছে মোৰ এইবোৰ লণ্ড-ভণ্ড কাণ্ড-কাণ্ড সীতানাথে ক'লে।

ভেলাইৰামে ক'লে, "মই তোমাক বুজাই কওঁ কথা-কাণ্ডৰ কথা। মই মোৰ এই ছোৱালীজনীৰ কাৰণে সৎপাত্ৰ বিচাৰি থাকোঁতে ভালেমানৰ মুখত তোমাৰ কথা শুনিলোঁ। পিছে—তুমি যে কিমান সৎ—তাৰো তো বুজ-বাজ ল'ব লাগিব। সেইহে মই ৰুদ্ৰনাৰায়ণৰ আৰু সেই কচাইৰো সহায় লৈছিলোঁ। এওঁলোকৰ সহযোগিতাৰেহে তোমাক চালি-জাৰি চাব পাৰিলোঁ।"

গাঁওবুঢ়াই ক'লে, "কচায়ে তাৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিলে।"

ভেলাইৰামে ক'লে, "সীতানাথ যে সৰল আৰু সৎ, কিন্তু লগতে দৃঢ়তাও আছে—মিছা কথাত দমি নাযায় বা তাৰ নামত অপপ্ৰচাৰ হ'লেও যে দৃঢ় থাকিব পাৰে—তাৰ প্ৰমাণ পোৱা গ'ল। সীতানাথৰ নীতি আছে। আছে আদৰ্শ।"

গাঁওবুঢ়াই ভেলাইৰামক ক'লে, "তুমি সীতানাথক দেখিছোঁ বেছ ভালেই পাই পেলাইছা।"

"চাওঁক, সীতানাথহেন কিছুখিনি মানুহ এতিয়াও পৃথিৱীত আছে বুলিয়েইহে কিজানি পৃথিৱীখন পৃথিৱী হৈ আছে। যি কি নহওক, মোৰ এই ছোৱালীজনীক সীতানাথে বিয়া কৰালে মই বাস্তৱিকতে আকাশৰ জোনটোকে ঢুকি পালোঁ বুলি ভাবিম।"

গাঁওবুঢ়াই সীতানাথৰ মুখলৈ চালে। গাঁওবুঢ়াই একো নৌ সোধোঁতেই সীতানাথে গাঁওবুঢ়াক ক'লে, "আপুনি যি ক'ব, সেয়ে হব। আপুনিয়েই তেন্তে হওক আমাৰ ঘৰ পতা ককা।"

১৮

কৃষ্ণ

পৰিশেষত বিজয়ী হ'ল।

জৰাসন্ধ, শিশুপাল আদিক নগুৰ-নাগতি

কৰাৰ অন্তত বলৰাম, কৃষ্ণ আৰু সাত্যকিহঁ:ত দুন্দুভি

ৰজাই বিজয়োৎসৱ কৰি কৰি আনন্দৰে দ্বাৰকা পালেগৈ।

কৃষ্ণই ৰুক্মিণীক লৈ গুচি যোৱাৰ লগে লগে শ্ৰুতপৰ্বই ৰুক্মিক ৰথত উঠাই দ্ৰুতগতিৰে গৈ থাকিল। ৰুক্মিয়ে প্ৰতিজ্ঞা কৰিছিল যে ভনীয়েক ৰুক্মিণীক পুনৰ উদ্ধাৰ কৰি লগত নোলোৱাকৈ তেওঁ আৰু কুণ্ডিনপুৰলৈ নোভতে। কিন্তু ৰুক্মিৰ প্ৰতিজ্ঞা নিটিকিল আৰু তাৰ কাৰণে ৰুক্মিয়ে ভোজকটক নামৰ এখন নগৰ নিৰ্মাণ কৰি তাতে থাকিবলৈ ল'লে। ইপিনে অচেতন জৰাসন্ধই চেতনা ঘূৰাই পাই তেওঁৰ সৈন্যহঁতক ছত্ৰভংগ হৈ পৰা দেখি পুনৰ সৈন্য বাহিনীক গঠন কৰিলে আৰু শিশুপালক লগত লৈ পুনৰ নিজ ৰাজ্য পালেগৈ।

'শম্বৰ বধ'



সিপিনে — কৃষ্ণৰ লগৰীয়াঁতে কৃষ্ণৰ বিবাহৰ বাবে লগ্ন নিৰ্ধাৰণ কৰিবলৈ উদ্যোগী হ'ল। বিভিন্ন ৰাজ্যৰ ৰজাসকললৈ আমন্ত্ৰণপত্ৰ পঠোৱা হ'ল। ঘৰ-দুৱাৰ চিকুণোৱা, আলিপন ইত্যাদিৰ কাম আৰম্ভ কৰা হ'ল। বিৰাট বিৰাট সোণৰ তোৰণ নিৰ্মাণ কৰা হ'ল। কলপুলি, আমপাত আদি মংগলকৰ বস্তু-সামগ্ৰী অনা হ'ল।

হাতীৰ পিঠি, ঘোঁৰাৰ পিঠিত উঠিও বহু সংখ্যক ৰজা কৃষ্ণৰ এনে অভিনৱ বিবাহত যোগ দিলেহি। সাত্যকিয়ে কলোকে আদৰিলে।

বিবাহৰ দিনা ব্ৰাহ্মণগণে বেদ অধ্যয়ন কৰিবলৈ ধৰিলে। পাছত পুৰোহিতবৰ্গই মন্ত্ৰোচ্চাৰণ কৰি থাকিল। আৰু এনেতে বিবাহৰ লগ্ন সমুপস্থিত হ'ল। কৃষ্ণ যেনিবা কিঞ্চিৎ বিহ্বল হৈ পৰিল। যিজনী সৌন্দৰ্য্যৱতীলৈ ইমান দিন ধৰি অধীৰ ভাৱে প্ৰতিক্ষা কৰিছিল, সেইজনীৰ সৈতে বিবাহৰত আগমুহূৰ্তত অকস্মাৎ ভ্ৰান্তি উপস্থিত হ'ল। এমতাৱস্থাত, কৃষ্ণই মাতৃ-পিতৃৰপৰা আশীৰ্বাদ প্ৰাৰ্থনা কৰিলে।

কৃষ্ণৰ বিবাহৰ লগ্নত দেৱ-দেৱীগণে আকাশৰপৰা পুষ্পবৃষ্টি কৰি থাকিল।

কৃষ্ণৰ সৈতে ৰুক্মিণীৰ বিবাহ হৈ গ'ল। কৃষ্ণই সুখেৰে সৌন্দৰ্য্যমণ্ডিত দাম্পত্য জীৱন যাপন কৰি থাকিল।

ৰুক্মিণীক বিবাহ কৰাৰ পাছত কৃষ্ণই মিত্ৰবিন্দা, জাম্বৱতী, সত্যভামা, কালিন্দী, সুদন্তা আদিকো একে একে বিবাহ কৰিছিল।

কিছুকালৰ অন্তত কৃষ্ণৰ প্ৰথমা পত্নী ৰুক্মিণী সন্তানসম্ভৱা হ'ল। পিতৃৰূপে কৃষ্ণই কৰণীয় সমস্ত কৰ্তব্যকৰ্ম কৰি থাকিল। যথা সময়ত ৰুক্মিণীৰ গৰ্ভৰপৰা এটি পুত্ৰ উপজিল। এই পুত্ৰটি তাৰ পূৰ্ব জনমত আছিল মন্মথ। মন্মথক শিৱৰ তৃতীয়নেত্ৰৰ অগ্নিৰে পুৰি মাৰিছিল। এই জনমত ৰুক্মিণী তথা কৃষ্ণৰ অতিকে' মৰমৰ

পুত্ৰৰূপে নাম হ'ল প্ৰদ্যুম্ন।

ৰাক্ষস শম্বৰে আগৰেপৰাই জানিছিল যে ৰুক্মিণীৰ গৰ্ভজাত পুত্ৰৰ হাতত তাৰ মৃত্যু হ'ব। সেইদেখি, ৰুক্মিণীৰ গৰ্ভজাত সন্তানৰ কথাত শম্বৰ সদায় সতৰ্ক হৈ আছিল। এতিয়া, প্ৰদ্যুম্ন জন্মগ্ৰহণ কৰাত, মাজনিশা শম্বৰে প্ৰদ্যুম্নক অপহৰণ কৰি সাগৰলৈ দলিয়াই দিলে। আৰু লগে লগে এটা বিৰাট মাছে প্ৰদ্যুম্নক গিলি পেলালে।

পাছত, এই বিৰাট মাছটো এজন মাছমৰীয়াৰ জালত পৰিল আৰু মাছমৰীয়াই এই বিৰাট মাছটোক দেশৰ ৰাণীলৈ উপহাৰ দিলে। ৰাণীৰ নাম মায়াৱতী। মাছমৰীয়াজন আছিল ইক্ষুমতীদেশৰ মানুহ। শম্বৰ আছিল ইক্ষুমতীদেশৰ ৰজা। মায়াৱতী হ'ল শম্বৰ পত্নী।

এই মাছটোৰ পেটৰ ভিতৰত অপূৰ্ব সুন্দৰ শিশুটিক পাই ৰাণী মায়াৱতী বিমূগ্ধ হ'ল। মায়াৱতীয়ে শিশুটিক লালন-পালন কৰি ডাঙৰ-দীঘল কৰিলে। মায়াৱতীৰ নিজৰ কোনো সন্তান নাছিল।

মায়াৱতীৰ মৰম-চেনেহৰ উমতে ডাঙৰ-দীঘল হৈ প্ৰদ্যুম্নই ৰাক্ষস শম্বৰ পৰিয়ালৰ বহুবিধৰ মায়াজাল শিকি পেলালে। প্ৰদ্যুম্ন যেতিয়া এজন যুৱক হৈ উঠিল, তেতিয়া মায়াৱতীয়ে এদিন আকাৰে-ইংগিতে প্ৰদ্যুম্নক ক'লে যে, তেওঁৰ প্ৰদ্যুম্নৰ

প্ৰতি যথেষ্ট আকৃষ্ট বোধ কৰিছে।

হেন কথা শুনি থমক খাই প্ৰদ্যুম্নই মায়াৰতীক ক'লে, "তুমি মোক মাতৃৰ দৰে ডাঙৰ-দীঘল কৰি তুলিছা। মোৰ প্ৰতি তোমাৰ এনে মনোভাৱ কেনেকৈনো হয়? মোক দেখোন তুমিয়েই সুন্দৰ কৰি তুলিলা। যদি এই আকৰ্ষণৰ আন কিবা কাৰণ আছে, ভাঙি-পাতি কোৱা।"

প্ৰদ্যুম্নৰ প্ৰশ্নৰ উত্তৰত মায়াৰতীয়ে প্ৰদ্যুম্নক ক'লে, "তোমাৰ পিতৃ হ'ল স্বয়ং কৃষ্ণ। আমি প্ৰকৃততে তোমাৰ কোনো নহওঁ। তোমাক শম্বই সাগৰৰ পানীলৈ দলিয়াই পেলাইছিল। তাৰ পাছত— মাছৰ পেটৰপৰা মই তোমাক পালোঁ। ইমান দিনলৈ মই তোমাক পালিলোঁ, এতিয়া তুমি তোমাৰ মাতৃৰ ওচৰলৈ যোৱা। তোমাৰ মাতৃৰ ওচৰলৈ গ'লে তোমাৰ মনৰ পৰিৱৰ্তন ঘটিব, আৰু তেতিয়া ময়ো তোমাক ভাল পাবে পাৰিম। ইমান দিন ধৰি মই ৰাক্ষস শম্বৰ পত্নী ৰূপে ভাও দি আহিছোঁ। আচলতে শম্বৰ প্ৰতি মোৰ বিন্দুমানো মৰম নাই, তেওঁৰ কোনো কামৰ প্ৰতি মোৰ সমৰ্থন নাই। তুমি পাৰা যদি—শম্বক হত্যা কৰা।"

মায়ৰতীৰ কথাত এদিন প্ৰদ্যুম্নই শম্বৰক যুদ্ধলৈ আহ্বান জনালে। উভয়ৰ মাজত দীৰ্ঘকাল ধৰি যুদ্ধ চলি থাকিল। যুদ্ধ—সমুখাসমুখিকৈ যিমান — মায়া-যুদ্ধ তাতকৈ অধিক হৈ থাকিল। কোনো কম নহয়। শম্বৰে তেওঁৰ অধিগত সকলো যুদ্ধ-কৌশল আৰু মায়া-কৌশল প্ৰয়োগ কৰিলে। সাতবাৰ মায়া-যুদ্ধত বিফল হোৱাৰ পাছত অষ্টম বাৰতে প্ৰদ্যুম্ন সফল হ'ল। প্ৰদ্যুম্নই শম্বৰক অৱশেষত হত্যা কৰিব পাৰিলে।

তাৰ পাছত, প্ৰদ্যুম্নই মায়াৰতীক লগত লৈ আকাশপথেৰে কৃষ্ণৰ ওচৰলৈ গ'ল। এইদৰে, আগতীয়াকৈ একো নজনোৱাকৈ, প্ৰদ্যুম্নই অকস্মাৎ কৃষ্ণৰ ওচৰলৈ আহি

উপস্থিত হোৱাত কৃষ্ণ-পত্নীসকলে অবাক মানিলে আৰু ভীতাও হৈ পৰিল। প্ৰদ্যুম্নৰ অপূৰ্ব ৰূপ লাৱণ্য দেখি কোনো কোনো-তধা লাগিল।

আৰু ৰুক্মিণীয়ে যেতিয়া চফল যুৱক প্ৰদ্যুম্নক দেখা পালে, তেতিয়া ভাবিলে: হায়! মোৰ সেই শিশুপুত্ৰটি জীয়াই থকাহেঁতেন আজি নিশ্চয় ইমানখিনিয়েই ডাঙৰ হ'লহেঁতেন। ৰুক্মিণীয়ে প্ৰদ্যুম্নলৈ চাই চাই আৰু ভাবি থাকিল: কৃষ্ণৰ লক্ষণ-সমূহ এই যুৱকতো দেখোন স্পষ্টকৈয়েই ফুটি ওলাইছে। এই যুৱক যেনিবা সাই-লাখ মোৰ সেই শিশুটিৰেই ডাঙৰ ৰূপ!

কৃষ্ণয়ো প্ৰদ্যুম্নক দেখা পাই আনন্দিত আৰু বিস্মিতো হ'ল।

আৰু এনেতে তাত এদিন নাৰদমুনিৰ অপ্ৰত্যাশিত আগমন ঘটিল।

নাৰদমুনিয়ে প্ৰদ্যুম্নৰ বিষয়ত কৃষ্ণক সবিস্তাৰে সকলো কথা বুজাই ক'লে। তেতিয়া কৃষ্ণৰ ওচৰত সকলো কথা ফট-ফটীয়া হৈ পৰিল। প্ৰদ্যুম্ন যে প্ৰকৃততে ৰুক্মিণীৰ পুত্ৰ, তথা তেওঁৰো পুত্ৰ, নাৰদ-মুনিৰপৰা সেই কথা বিশদ জনা গ'ল। আৰু লগতে এই কথাটিও জনা গ'ল যে—পূৰ্ব-জনমত মায়াৱতী আছিল মন্মথৰ পত্নী ৰতিদেৱী। সেই মন্মথয়েই পুনৰ জন্মগ্ৰহণ কৰি হ'ল প্ৰদ্যুম্ন আৰু মায়াৰূপ ধাৰণ কৰি পৰৱৰ্তী জনমত সেই ৰতিদেৱী হ'ল মায়াৱতী। পত্নীৰূপে মায়াৱতীয়ে যথাৰীতি নিজৰ কৰ্তব্য কৰিবলৈ ধৰিলে।

নিজৰ সেই শিশুপুত্ৰক এইদৰে অভাৱিতভাৱে ঘূৰাই পাই ৰুক্মিণীৰ মন-প্ৰাণত আনন্দই নধৰা হ'ল। তেওঁ আনন্দৰ আবেগত চকুলোৰ ধাৰ বোৱাবলৈ ধৰিলে। সহস্ৰ চেষ্টাতো চকুলোৰে বাধা নামানিলে।

কেৱল ৰুক্মিণীয়েই নহয়, কৃষ্ণৰ অন্যান্য পত্নীসকলো আনন্দৰ সাগৰত উটিবলৈ ধৰিলে। যদিও তেওঁলোকৰ আনন্দৰ কলৰোল কেৱল অন্তেষপুৰতে সীমাবদ্ধ

থাকিল, তথাপি' সেই সম্মিলিত আনন্দৰ সুৰ বহু দূৰৰপৰা শুনা গ'ল।

প্ৰদ্যুম্ন আছিল ৰুক্মিণীৰ প্ৰথম সন্তান। তাৰ পাছতো, ৰুক্মিণীৰ গৰ্ভৰপৰা আন নটি সন্তান জন্মগ্ৰহণ কৰিছিল। এই নটি সন্তানেই আছিল পুত্ৰ সন্তান। আৰু এই নওটি পুত্ৰ-সন্তানৰ পাছত ৰুক্মিণীৰ গৰ্ভত এটি কন্যাসন্তান উপজিল।

ৰুক্মিণীৰ সেই নটি পুত্ৰ-সন্তানৰ নাম হ'ল যথাক্ৰমে—চাৰুদেষ্ণ, সুদেষ্ণ, সুষেষু, চাৰুগুপ্ত, চাৰুবাহ, চাৰুবিন্দু, চাৰুভদ্ৰ, চাৰুগৰ্ভ, চাৰু, আৰু কন্যাটিৰ নাম চাৰুমতী।

কৃষ্ণৰ অন্যান্য পত্নীৰ গৰ্ভত ভানুবিন্দ, সংগ্ৰামজিত, দীপ্তিমন্ত, বৃক্ষ প্ৰমুখ বহু সন্তান জন্মগ্ৰহণ কৰিছিল। এই সন্তান-সকলৰ মাজত মিত্ৰপতিৰে সৈতে দহজনী ছোৱালীও আছিল।

প্ৰদ্যুম্নৰ জন্মগ্ৰহণৰ এমাহৰ পাছত জাম্বৱতীয়ে এক পুত্ৰসন্তান প্ৰসৱ কৰিছিল। এই পুত্ৰৰ নাম আছিল শাম্ব।

শাম্ব আছিল যথেষ্ট শক্তিশালী। বলৰামে শাম্বক নিজৰ সন্তানৰ দৰেই আদৰ-সাদৰ লালন-পালন কৰি সৰ্বপ্ৰকাৰৰ যুদ্ধবিদ্যাৰ শিক্ষাদান কৰিছিল। বলৰাম আৰু ৰেৱতীৰ সন্তান আছিল নিশাত আৰু উল্মক। এইদৰে, বলৰামে শ্ৰীকৃষ্ণৰ প্ৰতি



একনিষ্ঠতাৰে বিভিন্ন কৰ্তব্য কৰি থাকিল।

বিদৰ্ভদেশত ৰুক্মিণীৰ ককায়েক ৰুক্মিৰ শুভাংগী নামৰ এজনী ছোৱালী আছিল শুভাংগী আছিল বিবাহযোগ্যা ছোৱালী। শুভাংগীৰ বিবাহৰ বাবে ৰুক্মিণীয়ে স্বয়ম্বৰ পাতিলে। ৰুক্মিয়ে জগতৰ সকলো ৰজা-মহাৰজালৈ এই স্বয়ম্বৰত যোগ দিবলৈ আহ্বান জনালে।

শুভাংগীৰ স্বয়ম্বৰ সভাত বিখ্যাত বিখ্যাত ৰজা-মহাৰাজ-ৰাজকোঁৱৰসকলো উপস্থিত হৈছিল। নিজৰ পিতৃ-মাতৃৰ আশীৰ্বাদ আৰু অনুমতি লৈ প্ৰদ্যুম্নো সেই স্বয়ম্বৰ সভালৈ গৈছিল। শুভাংগীয়ে

আগৰেপৰাই প্ৰদ্যুম্নৰ ৰূপ-লাৱণ্যৰ কথা শুনি মনস্থিৰ কৰি পেলাইছিল ; স্বয়ম্বৰৰ দিনা শুভাংগীয়ে প্ৰদ্যুম্নৰ ডিঙিত মালা পিন্ধাই দিলে।

শুভাংগীৰ সিদ্ধান্ত তথা বাছনিলৈ চাই প্ৰায় সকলো হতবাক হ'ল। পিছে— সুপাত্ৰ হিচাপে যে প্ৰদ্যুম্নো যোগ্য—সেই কথাত দ্বিমত নহ'ল।

কিছুদিনৰ অন্তত শুভাংগী-প্ৰদ্যুম্নৰ এটি পুত্ৰসন্তান উপজিল। পুত্ৰ-সন্তানটিৰ নামকৰণ হ'ল—অনিৰুদ্ধ।

অনিৰুদ্ধো দেখাই-মেলাই, স্বভাৱে-চৰিত্ৰে সুন্দৰ হ'লো ডাঙৰ-দীঘল হৈ অনিৰুদ্ধই সৰ্বশাস্ত্ৰত পাৰদৰ্শী তথা সুপণ্ডিত হৈ উঠিল।

ৰুক্মিৰ দূৰ সম্পৰ্কৰ আত্মীয়ৰ এজনী ধুনীয়া ছোৱালীৰ সৈতে অনিৰুদ্ধৰ বিবাহ পাতিবলৈ যাতে চেষ্টা কৰে তাৰ বাবে শুভাংগীয়ে কৃষ্ণলৈ সম্বাদ পঠাইছিল। কৃষ্ণই প্ৰদ্যুম্নক কৈ পঠালে যে এই বিষয়ে সুচিত্ৰৰ সৈতে যোগাযোগ কৰক।

এই বিবাহখন যথা সময়ত পতা হৈছিল, আৰু যথেষ্ট আড়ম্বৰেই পতা হৈছিল। অনিৰুদ্ধৰ বিবাহত কৃষ্ণ ৰুক্মিণীয়েই নহয়, আগৰ শত্ৰুতা সম্পূৰ্ণ পাহৰি ৰুক্মিয়েও যোগ দিছিলহি। ৰুক্মিয়ে অনিৰুদ্ধৰ বিবাহত প্ৰচুৰ পৰিমাণে উপঢৌকনো প্ৰদান কৰিছিল।

অনিৰুদ্ধৰ বিবাহৰ কালত সকলো যেতিয়া আনন্দমগ্ন, তেতিয়া বেণুধাৰী, শ্ৰুতপৰ্ব, অংশুমন্ত, জয়সেন প্ৰমুখই ৰুক্মিক ক'লে, "চোৱাঁ, তোমাৰ বন্ধু হিচাপে আমি কওঁ, তুমি জুয়াখেলাত সুদক্ষ। গতিকে—তুমি যেনেতেনে বলৰামক জুয়া খেলত পৰাজিত কৰিবা। বলৰামক জুয়া খেলত বেয়াকৈ হৰুৱাব পাৰিলে তোমাৰ, আৰু লগতে আমাৰো নাম-যশ জগতত বিয়পি পৰাৰ উপৰিও সুপ্ৰতিষ্ঠিত হ'ব।"

বন-জুইৰ কথা

ফৰাছীদেশৰ এচুকত এডোখৰ ঠাইলৈ চালে এতিয়া বিৰাট বিস্তীৰ্ণ মুকলি পথাৰ যেন লাগিব। কিন্তু বহুকালৰ আগতে আজিৰ এই মুকলি পথাৰ আছিল অটব্য অৰণ্য। এই বিশাল অৰণ্য হেনো জুই লাগি পুৰি ভস্ম হৈছিল। এই অগ্নিকাণ্ডৰ সম্পৰ্কে জনশ্ৰুতি হ'ল এনেকুৱা :

এই অৰণ্যত এজন কৃষক সপৰিয়ালে বসবাস কৰিছিল। এদিন সেই কৃষকে দুটা পাঁউৰুটি কিনি লৈ ঘৰলৈ গৈ থাকোঁতে নাহৰফুটুকী এটা কৃষক তুৰঁৰ আগত থিয় হ'ল। তুৰঁই ভয় খালে। কি কৰিব-কি নকৰিব একোকে ঠাৰৰ কৰিব নোৱাৰিলে।

এই নাহৰ ফুটুকীটোক ঘূৰাই আক্ৰমণ কৰাৰ, বা তাক এৰাই তাৰপৰা গুচি যোৱাৰ ক্ষমতা তুৰঁৰ নাছিল। গতিকে—সাত-পাঁচ ভাবি তুৰঁই নাহৰ ফুটুকীটোক ক'লে, "হেৰা নাহৰ ফুটুকী, তোমাৰ বৰ ভোক লাগিছেনে কি? এয়া লোৱা, অলপ ৰুটিকে চোবোৱা।" এই বুলি কৈ, তুৰঁই সেই বাঘটোক এখুতুৰা ৰুটি দিলে। নাহৰফুটুকীটোৱে ৰুটি খুতুৰা আগ্ৰহৰে খাই থাকিল। আৰু এই ছেগতে তুৰঁয়ো এৰা দিলে।

কিন্তু তুৰঁই এৰিলে কি হ'ব—নাহৰ ফুটুকীয়ে তুৰঁক নেৰিলে।

তুৰঁই ঘৰত ভৰি দিয়াৰ লগে লগেই তাৰ ঘৈণীয়েকে তাক সুধিলে, "ৰুটি নানিলা যে—? তুমি ৰুটি আনিবা বুলি জানি মই দালি ৰান্ধি থৈছোঁ।"

"কিনো কওঁ—। ৰুটিখিনি যিটোৱে খালে সেইটো ঘৰৰ দুৱাৰমুখতে বৈ আছে

চোৰাগৈ। ৰুটিখিনি এটা নাহৰফুটুকীয়ে খালে। মই বাধ্যত পৰি তাক খাবলৈ দিলোঁ, নহ'লে সিয়েই কিজানি মোক খালেহেঁতেন।" তুবঁই ক'লে।

'হাঁ—!" তুবঁৰ ঘৈণীয়েক টিনটিনিয়ে আৰ্তনাদৰ দৰে ক'লে, "আমাৰ ৰুটি—নাহৰফুটুকীয়ে খালে? তেনেহ'লে—আমিনো কি খাম? আৰু—কী যে আজৰ-তাজ্জৱ কাণ্ড! হ'ল বাৰু নাহৰফুটুকী, তেও দেখোন বাঘ! বাঘেও শুকান ৰুটিকে চোবোৱা দিন পৰিলেনে? ঠিক আছে। হোৱা কথা হৈ গ'ল, এতিয়া ঘৰৰ দুৱাৰ বন্ধ কৰা। নহ'লে ৰুটি খোৱা বাঘে সোমাই আহি আমাকে খাব।"

তুবঁই তেতিয়া ৰৈ থকা নাহৰ-ফুটুকীটোক বাদবাকী ৰুটিখিনি দি ক'লে, "এইখিনিও তুমিয়েই খোৱা।" আৰু তাৰ পাছত ঘৰৰ দুৱাৰখন বন্ধ কৰি দিলে।

নাহৰফুটুকীটোৱে এই ৰুটিখিনিও খালে। কিন্তু সি ক'লৈকো গুচি নগ'ল। তুবঁৰ ঘৰৰ দুৱাৰমুখতে বহি থাকিল।

ঘৰৰ ভিতৰত তুবঁ আৰু টিনটিনিয়ে কেৱল দালিখিনিকে খাই থাকোঁতে নাহৰ ফুটুকীটোৰ সম্পৰ্কে বহুতো কিবাকিবি কৈ থাকিল। নাহৰফুটুকীটোৱে সিহঁত-হালৰ কথাখিনি মন দি শুনিলে আৰু শুনাৰ পাছত পুনৰ অৰণ্যলৈ গ'লগৈ।

কেইমাহমানৰ পাছৰ কথা। হালোৱা-হালোৱানী তুবঁ আৰু টিনটিনিয়ে বহু কষ্টেৰে সামান্য ধন সাঁচিলে। সেই ধন-খিনিৰে গাই এজনী কিনিব।

তুবঁ হাটলৈ বুলি ওলাল। সেই অৰণ কাষেদিয়েই হাটলৈ গ'ল সি। কিন্তু তাৰ ওচৰত থকা মুদ্ৰাখিনিৰে সি গাই এজনী হাটৰপৰা কিনিব নোৱাৰিলে। কিনিব নোৱাৰি তাৰ বেয়া লাগিল।

এনেতে এজন খীণ-মিন কিন্তু লিহলিহীয়া মানুহে তুবঁক সুধিলেহি, "হেৰা, তুমি—গাই—কিনিলানে?"



"মন আছিল কিনাৰ, ধনেৰেহে নাটিলে। কিনিবলৈ নহ'ল।" তুবঁই তুহত হগা বোন্দাটিৰ দৰে ক'লে।

"আমাৰ গোহালিত ঢেৰ আছে। তুমি তোমাৰ ইচ্ছামতে গাই এজনী লৈ যোৱা তাৰপৰা।" মানুহজনে তুবঁক ক'লে।

কৃষক তুবঁ এই মানুহজনৰ লগে লগে গৈ থাকিল। গৈ গৈ গোহালি পালেগৈ। গোহালি গৈ পোৱাৰ পাছত মানুহজনে তুবঁক ক'লে, "এই গাইবিলাকৰ মাজত যিজনীক আটাইতকৈ ভাল বুলি ভাবা, সেইজনীকে তুমি লৈ যোৱা।"

তুবঁই গোহালিৰ ভিতৰলৈ সোমাই গাই এজনী বাছি উলিয়ালে। মানুহজনে তুবঁক ক'লে, "তুমি বৰ ভালজনীকে বাছি উলিয়াইছা।" এই বুলি কোৱাৰ পাছত মানুহজনে তেওঁৰ জেপৰপৰা সৰু টেমা এটা উলিয়াই টেমাটো তুবঁৰ হাতত দিলে আৰু ক'লে, "এই টেমাটো তুমি তোমাৰ পৰিবাৰক দিবা। কিন্তু ক'বা—তেওঁ যেতিয়া অকলশৰে থাকিব, মাত্র তেতিয়াহে টেমাটো খোলে যেন। আন কাৰো আগত টেমাটো নোখোলে যেন। আৰু শুনা—এই টেমাটো কেৱল তোমাৰ পৰিবাৰেহে খুলিব, আন কোনোৱেই নোখোলে যেন সেই কথালৈ চাবা।"

"আমাক ইমান দয়া কৰিছে কি কাৰণে ডাঙৰীয়া—?" তুবঁই সুধিলে।

তুবঁৰ এই প্ৰশ্ন প্ৰশ্নৰ উত্তৰত মানুহজনে হাঁহি মাৰি ক'লে, "এদিন মোৰ প্ৰতি দয়া প্ৰদৰ্শন কৰি মোক তোমালোকে দুটা পাঁউৰুটি খুৱাইছিলা। মই তেতিয়া নাহৰফুটুকীটো হৈ আছিলোঁ। মোৰ দুটা ৰূপ আছে। মই ভাললৈ ভাল, বেয়ালৈ বেয়া। এতিয়া তুমি ঘৰলৈ যোৱাগৈ। ঈশ্বৰে তোমাৰ মংগল কৰক।"

মানুহজনৰ মৰমত মুগ্ধ হৈ, গাইজনীক লৈ, তুবঁ ঘৰমুৱা হ'ল। গৈ থাকোঁতে, এই টেমাটোত কি আছে—অন্ততঃপক্ষে

এটিবাৰ খুলি চোৱাৰ বৰ মন গ'ল তাৰ। তুৰঁই ভাবিলে ঃ টিনটিনিয়ে অকলেই কিয় খুলিব লাগিব? আৰু—মই খুলিলেনো কি হ'ব? টেমাটো সি লাৰি-চাৰি জাৰি-জোকাৰি ঘূৰাই-ফিৰাই নানাভাৱে চালে, কিন্তু সমস্যাৰ সমাধান নহ'ল।

তাৰ পাছত সি ভাবিলে ঃ তাই বাৰু মোকো নোকোৱাকৈ থাকিবনে? তাই আজিপধ্যে মোক একো লুকুউৱা নাই। টেমাটোত কি আছে কি নাই ক'বই তাই। গতিকে—তেতিয়া জনাও যি, এতিয়াও জনাও সি। এতেকে—এতিয়ানো কিয় খুলি নাচাম? —এই বুলি ভাবি, গাইজনীক চৰিবলৈ এৰি দি, এজোপা, গছৰ তলত বহি সাৱধানতাৰে তুৰঁই সেই সৰু টেমাটো খুলি পেল্যালে।

আৰু—খুলিয়েই টেমাটো দলিয়াই পেলাই একেজাঁপে আঁতৰি দিলে সি। কিয়নো—টেমাটোৰপৰা জুই ওলাইছিল।

তেতিয়া তুৰঁই ভাবিলে ঃ এস্! তাই টেমাটো অকলে খোলাহেঁতেন দেখোন পুৰি মৰিলেহেঁতেন। প্ৰথমে তাইৰ চুলি-কোচা পুৰিলেহেঁতেন, তাৰ পাছত চকু-মুখ পুৰি তাই অন্ধ হৈ গ'লহেঁতেন, তাই আৰু নাবাচিলহেঁতেন। সেই সিদিনা তাই খঙতে নাহৰফুটুকীটোক কিবাকিবি কৈছিল বুলিহে কিজানি নাহৰফুটুকীটোৱে মানুহৰ ৰূপ লৈ পোটক তুলিবলৈ এই কাম কৰিলে। নাহৰফুটুকীয়ে তাইক পুৰি মাৰি মোৰ উপকাৰ কৰাৰ দিহা কৰিছিল। ভাগ্যে খুলি চালোঁ টেমাটো।

হঠাৎ গছজোপাত জুই লাগিল! তুৰঁই গাইজনীক লৈ বনৰপৰা ওলাই গ'ল। সেই জুয়ে বনাগ্নি হৈ বিশাল বনক পুৰি ভস্ম কৰি পেলালে।

তাৰ পাছত তুৰঁই গাইজনীক লৈ ঘৰ পালেগৈ। তেতিয়াৰপৰা তুৰঁৰ জীৱন সহজ আৰু সুখী হৈ উঠিছিল।

সাজ চাই চাপৰি

কোনোবা এখন নগৰত সদ্যবিবাহিতা দম্পতি এহালে ঘৰ এটা ভাড়ালৈ লৈ থাকিবলৈ ল'লে। যুৱকৰ নাম আছিল মুৰাৰী, আৰু তাৰ পৰিবাৰৰ নাম আছিল কামাক্ষী। কামাক্ষী আছিল বাস্তৱবাদী।

নতুন বৰ নতুন ঘৰ। সেই ঘৰ সজোৱা-পৰোৱাৰ কামত দে দনাদন দে দনাদনলৈ হাত উজান দিলেহি আন এহাল দম্পতিয়ে—জনাৰ্দন আৰু জানকীয়ে।

কামাক্ষীয়ে জানকীজনীক ক'লে, "আপোনালোকে সহায় নকৰা হ'লে এদিনৰ কামতে চাৰিদিন লাগিলহেঁতেন।"

কিন্তু—প্ৰথমদিনা জনাৰ্দন-জানকীক দেখি কমাক্ষীয়ে যিমান আনন্দবোধ কৰিছিল, পাছত সেই আনন্দ আৰু নাথাকিল। জানকীয়ে যেতিয়াই মন যায় কামাক্ষীহঁতৰ ঘৰলৈ আহিছিল। বিশেষকৈ খোৱা-বোৱাৰ সময়ত ওলাইছিলহি তাই। তাৰ ফলত, খোৱাবস্তুখিনিৰ এভাগ তাইকো আথেবেথে বহুৱাই খুৱাবলগীয়া হৈছিল। কাম-বন সামৰাৰ অন্তত যে কামাক্ষীয়ে চকুৰ পতা জাপ খুৱাব অকণ, তাৰো উপায় নাই। জানকীয়ে বহি থাকি জয়ঘণ্টা লাৰি থাকিব। তাৰ ফলত, টোপনিয়ে যিমানেই নোজোকাওক, জোৰ কৰি চকু মেলি থাকিবলগীয়া হৈছিল।

আৰু সাঁজ লাগি ভগাৰ পাছত যেতিয়া মুৰাৰী ঘৰলৈ আহিছিল, তেতিয়া প্ৰায় পিছে পিছে ওলাইছিলহি জনাৰ্দন। আহি বহু ৰাতিলৈকে ইটো-সিটো নানান কথাৰ বকলা মেলিছিল। কামাক্ষীৰ বেলিকাও যেই, মুৰাৰীৰ বেলিকাও সেই। মুৰাৰীক দিয়া

ছন্দা গোস্বামী

জা-জলপানৰ এভাগ জনাৰ্দনকো লাগে।

এনে উৎপাৎ কিছুদিনলৈ সহি, এদিন অসহনি হৈ কামাক্ষীয়ে কথাটো মুৰাৰীক ক'লে। ক'লে—সদায় সদায় এনেবোৰ উৎপাৎ সহ্য কৰিব নোৱাৰি। কামাক্ষীয়ে ক'লে, "কালিলৈ যেতিয়া জনাৰ্দন আহিব, তেতিয়া আমি গোসাঁইথানলৈ যাম বুলি ওলাম। বাটত ক'ৰবাত জা-জলপান খাই ল'ম।"

"চুবুৰীয়াৰ লগত এনে ব্যৱহাৰ ঠিক নহয়। এইবোৰ বৰ অশোভনীয় কথা হ'ব।" মুৰাৰীয়ে ক'লে।

কামাক্ষীয়ে ভালকৈ গমিলে মুৰ মাৰি মুৰাৰীৰে একো কাম নহ'ব। কৰিব লাগিলে তাইহে কিবা কৰিব লাগিব।

সাতদিনমানৰ পাছত এদিন জনাৰ্দনে মুৰাৰীক হন্তদন্ত হৈ ক'লেহি, "মই এক জৰুৰী কামলৈ কিছু দূৰলৈ যাম। দুই-চাৰিদিনৰ ভিতৰত ঘূৰি আহিম। জানকীৰো শৰীল-স্বাস্থ্য সিমান ভাল নহয়। গতিকে—মই নথকা দিনকেটাত যদি অলপ বজাৰ-সমাৰখিনি— "

"এস্! তাকো আৰু ক'ব লাগিছনে? চুবুৰীয়া হিচাপে এয়া আমাৰ কৰ্তব্য দেখোন।" মুৰাৰীয়ে ক'লে আৰু জনাৰ্দনে গতাই দিয়া ফৰ্দ-কাকতখন ল'লে।

সিদিনা জানকীয়ে কোৱা মতে বস্তু-সামগ্ৰীখিনি কিনি অনাত মুৰাৰীয়ে দুশ



টকা ভৰিলে। দুই-তিনিদিনৰ অন্তত জনাৰ্দন ঘূৰি আহিল। কিন্তু তাৰ পাছত দহদিনমান পাৰ হৈ যোৱাৰ পাছতো মুৰাৰীক টাকাখিনি ওভোতাই নিদিলে!

এ'দিন জানকীয়ে কামাক্ষীক ক'লে, "ককাইদেউ উভতি অহা দেখোন পোন্ধৰ-যোলদিন হ'ল। বজাৰ কৰাৰ টকা দুশ ঘূৰাই নিদিলে দেখোন!"

জানকীয়ে অবাক হৈ ক'লে, "সেই খুদমান বস্তুকিটা আনোতে দু—শ টকা লাগিল! আমাৰ তেওঁ দুশ টকাৰে দহগুণ বস্তু-বাহানি আনে দেখোন!"

এই কথা শুনি কামাক্ষীৰ বৰ খং উঠিল। কিন্তু মুখেৰে তাই একো নক'লে।

কেইদিনমানৰ পাছত যেতিয়া মুৰাৰীয়ে তাৰ কৰ্মস্থলৰ প্ৰয়োজনত আন এঠাইলৈ কেইদিনমানৰ কাৰণে ওলাবলগীয়া হ'ল, তেতিয়া কামাক্ষীয়ে মুৰাৰীক ক'লে, "কামৰ তো সময়-অসময় নাই। সময়ত যে সকলো কাম হৈ যাব তাৰো মানে নাই, তোমাৰ ওভতোঁতে দেৰিও হ'ব পাৰে। এটা কাম কৰা। তুমি যোৱাৰ আগতে জনাৰ্দনক এশ টকা দিবা আৰু কৈ যাবা—যাতে মোৰ বজাৰ-সমাৰখিনি তেওঁ কৰি দিয়ে এই কেইদিন।"

মুৰাৰীয়ে ক'লে, "তোমাৰ মাথা খাৰাপ হ'লনে পেট খাৰাপ হ'ল? দুশ টকা গ'ল যি গ'লেই—এতিয়া আকৌ এশ টকা



ভৰিমনে কিবা?”

“টকাৰ চিন্তা নকৰিলেও হ'ব, সেই দায়িত্ব মোৰ। মই তাৰপৰা আমাৰ টকা তিনিশ সুতে-মূলে উচুল কৰিহে এৰিম।” কামাক্ষীয়ে ক'লে।

মুৰাৰীয়ে জনাৰ্দনক টকা এশ দিলে আৰু কামলৈ ওলাল।

পাছদিনা জনাৰ্দনে কামাক্ষীক সুধিলেহি, “বজাৰপৰা কিবা আনিব লাগিবনে?”

কামাক্ষীয়ে জনাৰ্দনক আথেবেথে বহুৱাই জা-জলপান খৰধৰকৈ খুৱাই সৰু সৰুকৈ ক'লে, “বজাৰৰ কথা আৰু নক'ৰচোন ককাইদেউ, নক'বলগীয়া কথা এযাৰ আপোনাক ক'ৰেঁই। মোৰ তেওঁ— আমাৰ ঘৰৰ কিবা কথাত বেমেজালি হ'লে—ক'লে—তেওঁৰ খঙেই উঠি যায়। কথা হ'ল যে—মোৰ ভাইটিয়ে এইবাৰ কলেজত নাম লগাব, আৰু আজিয়ে নাম লগাবৰ শেষ তাৰিখ, আৰু তাৰ কাৰণে মোক তিনিশ পঁচিছটা টকা লাগে। মই অৱশ্যে মোৰ সাঁচতীয়া গহনাখিনি বেচিব পাৰোঁ, পিছে—আজি বৃহস্পতিবাৰে বেচিব নাপায়, গিৰিহঁতৰ অপায়-অমংগল হয়। কিন্তু টকাখিনি মোক আজিয়েই লাগে। কালিলৈ অৱশ্যেই বেচিব প'ৰিম। আৰু বেচিম—আপোনাৰ হতুৱায়েই। পিছে—টকাখিনি মোক আজি—এতিয়াই লাগে। এশ টকা তেওঁ দিয়েই গ'ল— বাদবাকী দুশ পঁচিছটা টকা যদি দয়া কৰি দিয়ে—মোৰ বৰ উপকাৰ হ'ব দাদা। মই কালিলৈ আপোনাৰ হাতত মোৰ গহনাখিনি দিম, বেচি যি পাব, আপোনাৰ-খিনি আপুনি লৈ, বাদবাকীখিনি মোক ঘূৰাই দিব।”

জনাৰ্দনে অতি আবেগৰে ক'লে, “তোমালোকে — দুশ টকা মোৰপৰা পাবাই, আৰু মুৰাৰীয়ে মোক এশ টকা দি থৈ গ'ল। ঠিক আছে, হৈ যাব। মই — এতিয়াই আনি দিছোঁ তিনিশ

পঁচিছ। তুমি কাইলৈ মোক গহনা দিবা, মই বেচি দিম বাৰু।"

কামাক্ষীয়ে মূৰ দুপিয়াই তাইৰ সন্মতি জনালে। তাৰ পাছত জনাৰ্দনে কামাক্ষীৰ হাতত তিনিশ পঁচিছ টকা তৎক্ষণাৎ আনি দিলে।

পাছদিনা. ক'বলৈ গ'লে ধলপুৱাতে জনাৰ্দনে কামাক্ষীহঁতৰ ঘৰলৈ আহি গহনাখিনি খোজাত মুখখন টেমী যেন হৈ পৰা কামাক্ষীয়ে ক'লে, "কিনো কওঁ, দাদা—কালি ৰাতি আমাৰ চুৰি হৈ গ'ল। গহনা-টহনা চব চোৰে লৈ গ'ল। মই যে কিমান নিৰুপায়ত পৰিছোঁ—কি ক'ম। তেওঁ নহালৈকে আমাৰ বজাৰ-সমাৰখিনি অনুগ্ৰহ কৰি আপুনিয়েই কৰি দিব লাগিব। মই একেবাৰে হাত-খালী হৈ পৰিছোঁ।"

কামাক্ষীৰ কথা শুনি জনাৰ্দনৰ জুলুকা লাগিল। সি মুহূৰ্তমানৰ পাছত কৈ উঠিল, "হেৰি হ'ল নহয়—? আমাৰো খবৰ বৰ বেয়া। মোৰ শাহুৱেৰা ভীষণ অসুস্থ, মৰোঁ মৰোঁ। কেতিয়া কি হ'ব, কোনদিনা কামৰি কাঢ়িব—একো ঠিকঠাক কোৱা নেযায়। জানকীক আজিয়ে তালৈ লৈ যাবই লাগিব। গতিকে—হেৰি হ'ল।" ইমানলৈকে কৈয়েই জনাৰ্দন তাৰপৰা বলিয়াৰ দৰেওলাই গুচি গ'ল।

আৰু তাৰ পাছত এমাহৰ ভিতৰতো জনাৰ্দন-জানকী মুৰাৰী-কামাক্ষীহঁতৰ ঘৰৰ ছাঁটোকো গছকি নগ'ল। বাটে-পথে দূৰৰপৰা দেখা পালেও নেদেখাৰ ভাও দিছিল।

মুৰাৰীয়ে কামাক্ষীৰ শলাগ লৈ ক'লে, "বৰ বঢ়িয়া ভাও দিছিলা। তুমি যে সঁচাকৈয়েই সাজ চাই চাপৰি বাব পাৰা—তাৰ দেখ দেখ প্ৰমাণ দিলা।"

"তোমাৰ অধিক ভদ্ৰতাৰ অথন্তৰপৰা নিস্তাৰ পাবলৈহে সাজ চাই চাপৰি বাবলগীয়া হৈছোঁ। কামাক্ষীয়ে কৈ মুৰাৰীক মূঢ়া আমাব হুহুটি যেন কৰিলে।

হেজাৰটকীয়া সাধু

কুমাৰ গাঁৱৰ ৰতন হালোৱা আছিল এক মহাজনৰ কৰ্মচাৰী। সি মহাজনৰ মাটিৰ এচুকতে সৰু জুপুৰী এটাত বাস কৰিছিল। ঘৰটো আছিল গোহালিৰ এক অংশ। এদিন ৰতনৰ ঘৈণীয়েক কুন্তীয়ে ৰতনক ক'লে, "চোৱাঁ, আমি চিৰটিকাল এনেদৰে থাকোঁ যদি—আমাৰ ল'ৰা-ছোৱালীহঁতৰ দশা কি হ'ব কেতিয়াবা তুমি ভাবি চাইছানে? ভৱিষ্যতৰ কথা চিন্তি এতিয়াই কিবা এটা কৰাৰ চেষ্টা কৰা।"

ৰতনে ক'লে, "বেহা-বেপাৰত ধৰিলে অৱশ্যে—টকা আৰ্জিব পাৰি। কিন্তু মই হলোঁ মহাজনৰ চাকৰ, মোৰ পইচা ক'ত বেহা-বেপাৰ কৰাৰ? মোৰ ওচৰত এক অনা থাকিলে এক অনাকে মইষোল অনা কৰি তুলিব পাৰোঁ, আনকি—এক অনাক এহেজাৰ টকাও কৰিব পাৰোঁ। কিন্তু এটা অনা তো পাব, বা থাকিব লাগিব। নহ'লেনো ক'ৰপৰা কি কৰিম মই?"

গিৰিয়েক-ঘৈণীয়েকৰ মাজত হোৱা কথাখিনি মহাজনৰো কাণত কেনেবাকৈ পৰিল আৰু মহাজনে এক অনা পইচা কায়দা কৰি ৰতনৰ চকুত পৰাকৈ এঠাইত থৈ দিলে। মহাজনৰ এই কামৰ উদ্দেশ্য আছিল—ৰতনৰ কথাৰ পৰীক্ষা লোৱা যে—এক অনাৰপৰা এহেজাৰ টকা সি কেনেকৈ কৰিব।

পাছদিনা, ৰতনৰ ঘৈণীয়েক কুন্তীয়ে একঅনীয়াটো পাই ৰতনক দিলে আৰু ক'লে, "এয়া লোৱা এক অনা। এই একঅনাৰপৰা এহেজাৰ কৰি দেখুৱাবা।"

ৰতনে একঅনীয়াটো লৈ মহাজনক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ক'লেগৈ, "এই পইচা নিশ্চয় আপোনাৰেই হ'ব, কেনেবাকৈ পৰি গ'ল, লওক।"

মহাজনে একঅনীয়াটো ঘুৰাই-ফিৰাই নানানভাৱে চাই ক'লে, "ওহোঁ, এই পইচা মোৰ নহয়। তুমি পাইছা যেতিয়া —পইচা তোমাৰেই।"

তেতিয়া ৰতনে সেই এক অনা পইচা লৈ এটা সুতখোৰৰ কাষ চাপিল আৰু ক'লে "আপুনি সুত হিচাপে এই এক অনা লওক, আৰু মোক এটা টকা ধাৰলৈ দিয়ক। আজি গধূলিৰ আগে আগে মই আপোনাক টকাটো নিশ্চয় পৰিশোধ কৰিম। আপুনি এই কথা একেবাৰে চিন্তা নকৰিব।"

তাৰ পাছত, সেই টকাটো লৈ ৰতন গ'ল, আন এজন সুতৰ কাৰবাৰীৰ ওচৰলৈ। ৰতনে ক'লে, "এই টকাটো সুত হিচাপে লওক, আৰু মোক দহ টকা ধাৰলৈ দিয়ক। মই কালিলৈ আপোনাৰ টকাখিনি নিশ্চয় পৰিশোধ কৰিম।"

সেই দহ টকাৰে সি আন এজনৰপৰা এশ টকা ধাৰলৈ ল'লে, আৰু তাৰ পাছত এজন মস্ত ডাঙৰ সুতখোৰ মহাজনৰ কাষ চাপি মহাজনক ক'লেগৈ, "আপুনি সুত হিচাপে এশ টকা লওক, আৰু মোক এহেজাৰ টকা ধাৰলৈ দিয়ক। মই এসপ্তাৰ

ভিতৰতে আপোনাৰ টকাখিনি নিশ্চয় পৰিশোধ কৰিম।"

সুতৰ কাৰবাৰীয়ে সুত পায় যদি আন একোকে নালাগে। তদুপৰি, ৰতনৰ গৰাকী মহাজনকো এই কাৰবাৰীয়ে ভালদৰে চিনি পাইছিল। গতিকে—নিঃচিন্ত মনেৰে ৰতনক টকা এহেজাৰ দিলে সুতৰ কাৰবাৰীয়ে।

সেই এহেজাৰৰপৰা প্ৰতিজনৰ টকা ঘূৰাই দিয়াৰ অন্তত ঘৰলৈ ঘূৰি ৰতনে তাৰ ঘৈণীয়েকক ক'লে, "চোৱাঁ, এক অনাৰপৰা কিমান টকা কৰিলোঁ চোৱাঁহি।" এই বুলি কৈ, সেই 'হেজাৰ টকীয়াসাধুৰ

কথা ভাঙি-পাতি ক'লে।

শুনি কুন্তীয়ে ক'লে, "কিনো ডাঙৰ কথা হ'ল? যাৰ টকা তাকেই দেখোন দি দিব লাগিব।"

"চোৱাঁ, এই টকাখিনি হ'ল মোৰ মূলধন। এইবাৰ চোৱাঁ—মই বেহা-বেপাৰ কৰোঁ কেনেকৈ।" ৰতনে ক'লে।

পাছদিনা, দূৰণিবটীয়া গাঁও এখনলৈ গৈ ৰতনে ঘেঁহুৰ খেতিয়ক এজনক ক'লে, "এইবাৰ তোমাৰ যিমান ঘেঁহু হ'ব—মই কিনি ল'লোঁ। এই বাবদে তোমাক কিমান দিব লাগিব কোৱাঁ।" তাৰ পাছত লিখিত চুক্তি কৰি, ৰতন ঘৰলৈ ঘূৰিল।

তিনি-চাৰিদিনৰ পাছত দুই-তিনিজন বেপাৰীয়ে ৰতনক ক'লেহি, "হেৰা—বাপ ৰ হেৰি হ'ল নহয়—আমি এইবোৰ খেতি-খোলা প্ৰতি বছৰ কিনি লওঁ। এইবাৰ তুমি আমাৰ ভাতমুঠি খোৱাৰো মুদা মাৰিলা দেখোন! এয়া বৰ নিয়ায়ৰ কাম হোৱা নাই কিন্তুক। আমাকো পিথমীত জীয়াই থকাৰ কিছু সমল দিব লাগে।"

"আপোনালোকেও ঘেঁহুখিনি বেচিলে-হেঁতেন, ময়ো বেচিম। সামান্য লাভ পালেও মোৰ হ'ব। মোৰপৰা আপোনা-লোকে কিনি ল'ব পাৰে—অৱশ্যে যদি আপোনালোকৰ ইচ্ছা হয়।"

এজন বেপাৰীয়ে ৰতনক দুহেজাৰ টকা দিলে আৰু ঘেঁহু খেতিৰ কাগজ-পত্ৰখিনি নিজৰ নামত লিখাই ল'লে। ৰতনে সেই দুহেজাৰ টকাৰপৰা এহেজাৰ সুতৰ মহাজনক দিলে আৰু বাকীখিনি তাৰ গৰাকীৰ হাতত গতাই দি ক'লে, "সেই এক অনাৰে মই এইখিনি আৰ্জিলোঁ, এয়া লওক।"

ৰতনৰ কৰ্মকুশলতাত মুগ্ধ হৈ মহাজনে ৰতনক স্বাধীনভাৱে ব্যৱসায় কৰিবলৈ অনুমতি আৰু লগতে মূলাধনো দিলে।



কেনাডাৰ কুকুৰনেচীয়া!
কেনাডাৰ কুকুৰনেচীয়াইঁতৰ হেনো নৰাখাদক হয়। কুকুৰনেচীয়াৰ কামোৰ খাই কামৰি বঢ়া মনুহৰ সংখ্যা কেনাডাত ঢেৰ। আচলতে — কুকুৰনেচীয়াইঁত ইমান হিংস্ৰ নহয়। কুকুৰনেচীয়াইতে সাধাৰণতঃ সৰুসুৰা জন্তুৰ, বুঢ়া জন্তুক, অসুস্থ হৈ পৰা জন্তুক আৰু বিশেষকৈ শহা আৰু চিকা-ফুৰা-সলিয়াবোৰক চাকি-চেলেকিহে ভাল পায়!


বুকু খালিয়াই!
১৯৭০ চনত আমেৰিকাৰ কানছাছত হোৱা প্ৰচণ্ড বৰষুণৰ পৰিমাণ আছিল এদিনতে চাৰে সোতৰ ইঞ্চি! ইমান বৰষুণ আগে কাহানিও তাত হোৱা নাছিল!


লণ্ডন নগৰৰ ক্যু গাৰ্ডেন্সত থকা ভিক্‌ট'ৰিয়া (নিম্ফিছি) নামৰ জলজ বৃক্ষক পৃথিৱীৰ আটাইতকৈ ডাঙৰ জলজ-বৃক্ষ বুলি কোৱা হয়। এই বিৰিখৰ পাতবোৰ পানীৰ ওপৰত ওপঙে। পাতবিলাক আকাৰত মুঠমাঠ চাৰে ছয় ইঞ্চি।
আটাইতকৈ ডাঙৰ পনীয়া বিৰিখ

অতিকৈ' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনচে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফ্ট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

চাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফ'টো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : শিকে বুজে আৰ্জে জ্ঞান   দ্বিতীয় ফটো : ইয়ে-সিয়ে নিচিন্তে আন

পুৰস্কাৰ প্ৰাপক : বিভা তালুকদাৰ, মুগুৰিয়া, বৰপেটা ৭৮১৩২৫, অসম।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 138 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026


In your MARCH issue of ...
Price Rs 5 March 1989 Vol. 1 No. 2
JUNIOR
QUEST
Where finding out is fun
The new monthly English children's magazine.
★How to be a writer
★Meet Lorry the loris
★Age of the Epics
★ Zip thró your exams with our pull-out
A Super Bargain for our first subscribers!
A whole year's JUNIOR QUEST for Rs. 50/- only
Money order/Postal Order/Demand Draft to
M/s DOLTON AGENCIES
CHANDAMAMA BUILDINGS
VADAPALANI, MADRAS 600 026
RUSH!
FOR YOUR COPY

CHANDAMAMA (Assamese) APRIL 1989 Regd. No. TN/MS (S)/87